সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ০৩ সংখ্যা, ৫ মাঘ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 03 Date Of Publication - 19 January 2025 Rs.10.00/-

## বিজেপিৰ অভিধানত প্ৰমোচন-ডিমোচন বুলি কোনো শব্দ নাইঃ দিলীপ শইকীয়া



ৰঙিলী বাৰ্ত্তাসেৱা- আনুষ্ঠানিকভাবে সভাপতিৰ দায়িত্ব লাভ কৰাৰ পাছতে বশিষ্ঠস্থিত বাজপেয়ী ভৱনত উপস্থিত হৈ সভাপতি দিলীপ শইকীয়া। বাজপেয়ী ভৱনত উপস্থিত হৈ সভাপতি দিলীপ শইকীয়াই আগন্তুক সময়ত দলে প্ৰত্যাহ্বান গ্ৰহণ কৰি আগুৱাই যাব বুলি মন্তব্য কৰে। জাতি-মাটি-ভেটিৰ সুৰক্ষা সুনিশ্চিত কৰি ৰখাৰ বাবে সমৰ্পিত মনোভাবেৰে ঐক্যবদ্ধভাৱে দলীয় কাৰ্য সবল কৰি তুলিবলৈ দলৰ কাৰ্যকৰ্তাসকলক আহ্বান জনাই সভাপতি দিলীপ শইকীয়াই কয় যে বিজেপিৰ সভাপতিৰ দায়িত্ব সহজ দায়িত্ব নহয়। কিন্তু এনে প্ৰত্যাহ্বানক অতিক্ৰম কৰি তৃতীয়টো কাৰ্যকালৰ বাবে অসমত এনডিএ চৰকাৰ প্ৰতিষ্ঠা কৰাৰ এক সংকল্প লোৱা হ'ব। বিজেপিৰ জ্যেষ্ঠ আৰু কনিষ্ঠ সকলোকে লৈ দলটোৰ শ্ৰীবৃদ্ধিৰ বাবে তথা সকলোৰে সমান আশা, সমান আকাংক্ষাৰে আগন্তুক দিনত কাম কৰা হ'ব। আমি গ্ৰহণ কৰা এই সংকল্পত জ্যেষ্ঠ, কনিষ্ঠ সকলোৱে সঁহাৰি ইতিমধ্যে জনাইছে। ইফালে ৰাজ্যিক বিজেপিৰ সভাপতি পদলৈ প্ৰমোচন হোৱা বুলি চলা চৰ্চাক নস্যাৎ কৰি সভাপতি দিলীপ শইকীয়াই কয় যে ( নপৃষ্ঠাত চাওক)

## ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- এডভান্টেজ আছাম ২.০ শীৰ্ষক বিনিয়োগ-আন্তঃগাঁথনি সন্মিলনত বিনিয়োগকাৰীক আমন্ত্ৰণ জনোৱাৰ বাবে নতুন দিল্লীৰ পৰা জাপানলৈ উৰা মাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। জাপানৰ উপৰি এই যাত্ৰাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দক্ষিণ কোৰিয়ালৈও যাব। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জাপানলৈ যোৱাৰ পূৰ্বে দিনৰ ভাগত নতুন দিল্লীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই ড° হিমন্ত বিশ্ব শৰ্মাই কয়, 'মাননীয় ৰাষ্ট্ৰপতি ( দুই পৃষ্ঠাত চাওক)

## আৰ জি কৰ কাণ্ডৰ মূল অভিযুক্ত সঞ্জয় ৰয়ক দোষী সাব্যস্ত আদালতৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দেশ কঁপোৱা কলকাতাৰ আৰ জি কৰ মেডিকেল কলেজ আৰু হাস্পতালৰ এগৰাকী মহিলা চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ গোচৰ মূল অভিযুক্ত সঞ্জয় ৰয়ক দোষী সাব্যস্ত কৰিছে অতিৰিক্ত জিলা ন্যায়াধীশ শিয়ালদহ আদালতে। মহিলা চিকিৎসকৰ ধৰ্ষণ-হত্যাৰ ন্যায় বিচাৰি দেশজুৰি চলা তীব্ৰ প্ৰতিবাদৰ লগতে উচ্চতম ন্যায়ালয়ে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ পৰিপ্ৰেক্ষিতত এই গোচৰৰ ৰায় ১৬২ দিনৰ ভিতৰতেই প্ৰদান কৰা হৈছে। প্ৰথমতে গোচৰটোৰ তদন্ত কৰিছিল কলকাতা আৰক্ষীয়ে। উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপৰ পিছত গোচৰটো চিবিআইক হস্তান্তৰ কৰা হয়। চিবিআইয়ে ১৩ আগষ্টত গোচৰটোৰ তদন্তৰ দায়িত্ব গ্ৰহণ কৰিছিল আৰু পৰৱৰ্তী সময়ত তদন্ত আৰম্ভ কৰিছিল। ( নপৃষ্ঠাত চাওক)

## ২০ জানুৱাৰীত ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰিব ড'নাল্ড ট্ৰাম্পে



ৰঙিলী বাৰ্ত্তাসেৱা- ২০ জানুৱাৰীত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে ড'নাল্ড ট্ৰাম্পে শপত গ্ৰহণ কৰিব। এই শপত গ্ৰহণ অনুষ্ঠানত ড'নাল্ড ট্ৰাম্পে ৪০ বছৰীয়া অভিলেখ ভংগ কৰিব। কেপিটল হিল্ছৰ বিপৰীতে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কেপিটল ৰটুণ্ডাৰ ভিতৰত শপত গ্ৰহণ কাৰ্যসূচীত ৰাষ্ট্ৰপতি হিচাপে শপত ল'ব। উল্লেখনীয় যে ১৯৮৫ চনত ৰাষ্ট্ৰপতি ৰ'নাল্ড ৰেগনে দ্বিতীয়বাৰৰ বাবে শপত গ্ৰহণ কৰা কাৰ্যসূচী কেপিটল ৰটুণ্ডালৈ স্থানান্তৰিত কৰা হৈছিল। দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতিৰ শপত গ্ৰহণ অনুষ্ঠান ড'নাল্ড ট্ৰাম্পেও কেপিটল ৰটুণ্ডাত কৰিব। এই শপত গ্ৰহণ অনুষ্ঠানত বিদায়ী ৰাষ্ট্ৰপতি জ' বাইডেন, কংগ্ৰেছৰ প্ৰতিনিধি, বিশিষ্ট অতিথি, প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামা, প্ৰাক্তন ৰাষ্ট্ৰপতি জৰ্জ ডব্লিউ বুশ্ব, প্ৰাক্তন ৰাষ্ট্ৰপতি বিল ক্লিন্টনৰ লগতে প্ৰাক্তন ফাৰ্ষ্টলেডী লৌৰা বুশ্ব আৰু হিলাৰী ক্লিন্টনো উপস্থিত থাকিব। ২০ জানুৱাৰী, সোমবাৰে দিনৰ ১২ বজাত ৰাষ্ট্ৰপতি হিচাপে ড'নাল্ড ট্ৰাম্পে শপত গ্ৰহণ কৰাৰ সমান্তৰালকৈ জেডি ভালে উপ- ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰিব। ইতিপূৰ্বে এই শপত গ্ৰহণৰ কাৰ্যসূচী পূৰ্ণ প্ৰস্তুতিত চলিছে আৰু নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে।

## অসমৰ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙক CRPFৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ আৰক্ষী সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী(CRPF)ৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছে। ২০২৫ চনৰ ১৮ জানুৱাৰীত দিয়া আনুষ্ঠানিক আদেশ অনুসৰি কেবিনেটৰ নিযুক্তি সমিতিয়ে এই সিদ্ধান্তত অনুমোদন জনাইছে । উল্লেখ্য যে, জি পি সিঙে যেতিয়াৰ পৰা CRPF ৰ সঞ্চালক প্ৰধানৰ দায়িত্ব গ্ৰহণ কৰিব তেতিয়া পৰা এই নিযুক্তি কাৰ্যকৰী হ'ব। ২০২৩ৰ ৩১ জানুৱাৰীত তদানীন্তন ( নপৃষ্ঠাত চাওক)

# মৰিগাঁও জিলা আয়ুক্তৰ সভাকক্ষত ৰাজ্য চৰকাৰৰ কেবিনেটৰ বৈঠক অনুষ্ঠিত

ৰঙিলী বাৰ্তাসেৰা- মৰিগাঁও জিলা আয়ুক্তৰ সভাকক্ষত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই কেবিনেট বৈঠকে জিলাখনৰ সামগ্ৰিক উন্নয়ন আৰু প্ৰগতিৰ বাবে ২৯২ কোটি টকাৰ প্ৰকল্পত অনুমোদন জনায়। কেবিনেটৰ অন্তত এক সংবাদ মেলযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সিদ্ধান্তৰ বিষয়ে সদৰী কৰি কয় যে জিলাখনত বালিমুখীৰ পৰা ভুৰাগাঁও হৈ শিলডুবিলৈ পথ নিৰ্মাণৰ বাবে ৭০ কোটি টকাৰ অনুমোদন দিছে। সেইদৰে মৰিগাঁও নগৰৰ পয়-প্ৰণালী ব্যৱস্থাটো নতুনকৈ কৰাৰ বাবে ৫৫ কোটি টকাৰ অনুমোদন দিছে। মৰিগাঁৱত নতুন আৱৰ্ত ভৱন নিৰ্মাণৰ বাবে ১৫ কোটি টকাৰ অনুমোদন দিছে। একেদৰে জোনবিল মেলাৰ স্থানত এখন মঞ্চ নিৰ্মাণৰ বাবে ৫ কোটি টকাৰ অনুমোদন দিয়া হৈছে। ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামৰ পেভিলিয়ন আদিৰ কাম সম্পূৰ্ণ কৰাৰ বাবে ৫ কোটি টকাৰ অনুমোদন দিয়া হৈছে। বৰেণ্য ব্যক্তিসত্তা ইলাৰাম দাস বাপৰ সশ্ৰদ্ধ সোঁৱৰণত জালুগুটিত স্মাৰক নিৰ্মাণৰ বাবে ৫ কোটি টকা আৰু প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে ২০ কোটি টকাৰ অনুমোদন দিয়া হৈছে। মিকিৰভেটাত অতিথিশালা নিৰ্মাণৰ বাবে ১ কোটি টকাৰ অনুমোদন দিয়া হৈছে। সেইদৰে তিৱা সাহিত্য সভা ভৱন নিৰ্মাণৰ বাবে ১ কোটি টকাৰ অনুমোদন দিয়া হৈছে। কপাহেৰা ষ্টেডিয়াম সম্পূৰ্ণ কৰাৰ বাবে ৩ কোটি টকাৰ অনুমোদন দিয়া হৈছে। তদুপৰি মৰিগাঁও জিলাৰ শতবৰ্ষ গৰকা ৯খন বিদ্যালয়ৰ উন্নয়নৰ বাবে প্ৰত্যেককে ৮ কোটি টকাকৈ অনুমোদন দিয়া হৈছে। একেদৰে জিলাখনৰ ৮খন উল্লেখযোগ্য মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে প্ৰত্যেককে ৫ কোটি টকাকৈ দিয়া হৈছে। সংবাদ মেলখনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰু কয় যে মৰিগাঁৱৰ ৰাইজৰ সৈতে আলোচনা কৰি ৰাইজৰ সন্মতি সাপেক্ষে জিলা আয়ুক্তই ১,০০০ বিঘা মাটি উলিয়াই দিলে মৰিগাঁও জিলাত নতুনকৈ এখন বহলভিত্তিক ঔদ্যোগিক পাম গঢ়ি তোলা হ'ব। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে মৰিগাঁৱত অনুষ্ঠিত কেবিনেট বৈঠকত




অংশগ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীকে ধৰি কেবিনেট মন্ত্ৰীসকলক স্থানীয় বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰৰ লগতে জিলাবাসীয়ে বিপুল সম্বৰ্ধনা জনায়। কেবিনেট বৈঠকৰ পিছতে মুখ্যমন্ত্ৰী আৰু কেবিনেট মন্ত্ৰীসকলে ভুৰাগাঁৱৰ প্ৰস্তাৱিত মৰিগাঁও-দৰং সংযোগী ব্ৰহ্মপুত্ৰৰ দলঙৰ স্থান পৰ্যবেক্ষণ কৰে।

# ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক

শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ডাঙৰীয়ানীৰ সৈতে সাক্ষাতৰ সুযোগ লাভ কৰাৰ বাবে গৌৰৱ অনুভৱ কৰিছোঁ। ২০২৫ চনৰ এপ্ৰিল মাহত আমাৰ ৰাজ্য ভ্ৰমণ আৰু শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠানত উপস্থিতিৰ হেতু আমাৰ অনুৰোধ ৰক্ষা কৰি নিমন্ত্ৰণ গ্ৰহণ কৰাৰ বাবে মাননীয় ৰাষ্ট্ৰপতি মহোদয়ৰ প্ৰতি গভীৰ মহোদয়ালৈ ৰাজ্যবাসীৰ হৈ গভীৰ কৃতজ্ঞতা জনাইছোঁ। তেওঁৰ বহুমূলীয়া সময় আৰু পথ প্ৰদৰ্শন সঁচাকৈয়ে প্ৰশংসনীয়। দেশৰ ৰাষ্ট্ৰপতি দৌপদী মুৰ্মু এই ভ্ৰমণ অসমৰ বাবে অতি গুৰুত্বপূৰ্ণ হ'ব। উল্লেখ্য যে, ৰাজ্যৰ সাংস্কৃতিক আৰু সামাজিক উন্নয়নত উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তিসকলক সন্মান জনোৱা উদ্দেশ্যে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰা হয়। জাপানলৈ ৰাওনা হোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অইলৰ মুখ্য পৰিচালন সঞ্চালক ড° ৰঞ্জিত ৰাথে নতুন দিল্লীৰ অসম ভৱনত সাক্ষাৎ কৰে।

# দুৰ্বৃত্তৰ ছুৰিকাঘাতত আহত বলীউড অভিনেতা ছঈফ আলী খান

ৰঙিলী বাৰ্তাসেৰা- মুম্বাইৰ বান্দ্ৰাস্থিত নিজা বাসভৱনত তাৰকা অভিনেতা ছঈফ আলী খান দুৰ্বৃত্তৰ ভয়াৱহ আক্ৰমণৰ সন্মুখীন হয়। বাসভৱনত প্ৰৱেশ কৰা দুৰ্বৃত্তই অভিনেতা খানক ছুৰিকাঘাত কৰে। দেহৰ ৬টাকৈ স্থানত ছুৰীৰে আঘাত কৰাত অভিনেতা ছঈফ আলী খান গুৰুতৰভাৱে আহত হয়। সংকটজনক অৱস্থাত নিশাই লগে লগে লীলাৱতী হাস্পতালত ভৰ্তি কৰোৱা হয় অভিনেতাজনক। চিকিৎসকে ততালিকে অভিনেতাজনৰ দেহৰ মেৰুদণ্ডত সোমাই থকা



২.৫ ইঞ্চিৰ ছুৰীখন উলিয়াই আনে। সফল অস্ত্ৰোপচাৰৰ পাছত অভিনেতা ছঈফ আলী খানক সম্প্ৰতি আইচিইউত ৰখা হৈছে। চিকিৎসকৰ মতে, সম্প্ৰতি অভিনেতাজন বিপদ-মুক্ত। ৬টা আঘাতৰ ভিতৰত দুটা গুৰুতৰ আৰু দুটা সামান্য। গতিকে সফল অস্ত্ৰোপচাৰৰ পাছত অভিনেতাজন অচিৰেই সুস্থ হৈ উঠিব। মুম্বাই আৰক্ষীয়ে প্ৰকাশ কৰা মতে, নিশা প্ৰায় ২ বজাত দুজন অচিনাক্ত দুৰ্বৃত্তই বাসভৱনৰ চৌহদৰ পিছফালেৰে প্ৰৱেশ কৰে। বাসভৱনত প্ৰৱেশ কৰাৰ পাছত দুৰ্বৃত্তৰ খানৰ লিগিৰীৰ সৈতে সংঘাত হয়। অভিনেতাজনে লিগিৰীগৰাকীক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহোঁতেই অচিনাক্ত দুৰ্বৃত্তই খানক উপৰ্যুপৰি আঘাত কৰে। ৬টা স্থানত চোকা ছুৰীৰে আঘাত কৰাত অভিনেতাজন

( নপৃষ্ঠাত চাওক)

# মহানগৰীত পুনৰ যুৱতীৰ আত্মহত্যা

ৰঙিলী বাৰ্তাসেৰা- গুৱাহাটী মহানগৰীত বৃদ্ধি পাইছে যুৱক-যুৱতীৰ আত্মহননৰ ঘটনা। বিগত দুটা সপ্তাহৰ ভিতৰতে মহানগৰীত ছয়গৰাকীৰো আধিক যুৱক-যুৱতীয়ে আত্মহত্যাৰ দৰে চৰম পথ বাছি লয়। লাচিত নগৰত ৰছ জানুৱাৰীত এজন মেধাৱী ছাত্ৰই আত্মহত্যা কৰা ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওঁতেই পুনৰ গীতানগৰৰ মনালিছা পথৰ গৃহ নং ৫ত ভাৰাতীয়া হিচাপে থকা জ্যোতিস্মিতা গগৈ নামৰ এগৰাকী যুৱতীয়ে আত্মহত্যা কৰে। ভাৰাঘৰৰ কোঠাত সন্ধিয়া চিপ লোৱা অৱস্থাত যুৱতীগৰাকীক উদ্ধাৰ কৰে আৰক্ষীয়ে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। যুৱতীগৰাকীৰ আত্মহত্যাৰ কাৰণ পোহৰলৈ অহা নাই।

# ভূমি কেলেংকাৰি গোচৰত পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানক ১৪ বছৰ জে'ল

ৰঙিলী বাৰ্তাসেৰা- ২০,০০০ কোটি টকীয়া ভূমি কেলেংকাৰি গোচৰত পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা পিটিআইৰ মুৰব্বী ইমৰান খান আৰু তেওঁৰ পত্নী বুছৰা বিবিক দোষী সাব্যস্ত কৰা হৈছে। অল-কাদিৰ ন্যাস গোচৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান আৰু তেওঁৰ পত্নী বুছৰা বিবিক ইছলামাবাদৰ আদালতে দোষী সাব্যস্ত কৰি কাৰাদণ্ড আৰু জৰিমনা বিহে। ইছলামাবাদ আদালতৰ ন্যায়াধীশ নাছিৰ জাভেদ ৰানাই বহুচৰ্চিত এই ভূমি কেলেংকাৰি গোচৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানক ১৪ বছৰ কাৰাবাস আৰু ১০ লাখ পাকিস্তানী মুদ্ৰা জৰিমনা বিহে। তেনেদৰে তেওঁৰ পত্নী বুছৰা বিবিক ৭ বছৰৰ কাৰাদণ্ড বিহাৰ লগতে ৫ লাখ পাকিস্তানী মুদ্ৰা জৰিমনা বিহে। আদিয়ালা কাৰাগাৰত বন্দী হৈ থকা প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ এই ৰায় প্ৰছিকিউটৰ জেনেৰেল চৰ্দাৰ মুজাফৰ আব্বাছীৰ নেতৃত্বত নেচনেল একাউন্টিবিলিটি ব্যুৰ'ৰ দলৰ উপস্থিতিত ন্যায়াধীশ ৰানাই প্ৰদান কৰে। এই ৰায়দানৰ সময়ত প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ পত্নী বুছৰা বিবি, অধিবক্তা গোহৰ খান, ছৈয়ব শ্বাহীন,ছলমান আক্ৰাম ৰাজা আৰু কেইবাজনো অধিবক্তা কাৰাগাৰত উপস্থিত থাকে। ন্যায়াধীশে ৰায়দান কৰাৰ লগে লগেই বুছৰা বিবিক আৰক্ষীয়ে জিম্মাত লয় আৰু কাৰাগাৰলৈ নিক্ষেপ কৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী হৈ থকা অৱস্থাত ইমৰান খানে অল-কাদিৰ ন্যাসৰ নামত ভূমি আবণ্টন কৰিছিল। ঝেলামৰ অল-কাদিৰ বিশ্ববিদ্যালয়ৰ কাৰণে বৃহৎ পৰিমাণৰ ভূমি অধিগ্ৰহণ কৰাৰ



নামত দেশৰ কোষাগাৰৰ ধন লুণ্ঠন চলাইছিল। অল-কাদিৰ ন্যাসৰ এগৰাকী ন্যাসৰক্ষী হৈছে বুদ্ধা বিবি। তাৎপৰ্যপূৰ্ণ যে বিগত বৰ্ষৰ ১৮ ডিচেম্বৰত ন্যায়াধীশ ৰানাই এই গোচৰৰ শুনানি সম্পূৰ্ণ কৰে যদিও ২৩ ডিচেম্বৰলৈ ৰায় স্থগিত ৰাখে। পৰৱৰ্তী সময়ত ২০২৫ বৰ্ষৰ ৬ জানুৱাৰীত ৰায়দানৰ দিন ধাৰ্য কৰে যদিও পাছলৈ এই ৰায়দানৰ তাৰিখ ১৩ জানুৱাৰীলৈ স্থগিত ৰাখে। ১৩ জানুৱাৰীত অভিযুক্ত খানৰ অধিবক্তা নোহোৱাৰ বাবেই ৰায়দান স্থগিত ৰখা হৈছিল। সকলো পক্ষৰ উপস্থিতিত ন্যায়াধীশ ৰানাই ৰায়দান কৰে। ২০২৩ চনৰ আগষ্টৰ পৰা ইমৰান খান কাৰাগাৰত বন্দী হৈ আছে।

# ডুবাইত উদ্যোগ মন্ত্ৰী বিমল বড়াৰ ৰোড শ্ব’




ৰঙিলী বাৰ্ত্তাসেৱা- অহা ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হ’বলগীয়া এডভাণ্টেজ অসম ২.০ ক সফল কৰি তোলাৰ কাৰণে ইউনাইটেড আৰব এমিৰেটছৰ ডুবাইৰ হিলটন হোটেলত আয়োজিত এক ৰোড শ্ব’ ত অংশ গ্ৰহণ কৰে অসমৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াই। এই ৰোড শ্বোত ডুবাইৰ বিনিয়োগকাৰীৰ সৈতে হোৱা বৈঠকত মুখ্য অতিথি ৰূপে উপস্থিত থাকে উদ্যোগ মন্ত্ৰী বিমল বড়া। এই বৈঠকত উদ্যোগ মন্ত্ৰী বিমল বড়াই অসমৰ সমৃদ্ধিশালী খণ্ডসমূহত বিনিয়োগ, সহযোগিতা আৰু বিকাশৰ অপৰিসীম সুযোগসমূহৰ দিশত গুৰুত্ব প্ৰদান কৰে। লগতে দেশখনৰ বিনিয়োগকাৰী তথা প্ৰতিনিধিবৃন্দক এডভাণ্টেজ আছাম ২.০ত অংশ হ’বলৈ অসমলৈ আমন্ত্ৰণ জনায় মন্ত্ৰী বিমল বড়াই। ইয়াৰ পাছতে মন্ত্ৰী বড়াই সংবাদ মাধ্যমৰ লোক সকলৰ সৈতেও মত বিনিময় কৰে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে সাংবাদিক সকলৰ আগত ব্যক্ত কৰি অসমক সৰ্বাধিক সম্ভাৱনাপূৰ্ণ বিনিয়োগৰ গন্তব্যস্থান হিচাপে বড়াই প্ৰকাশ কৰে। সাংবাদিকসকলক বড়াই দক্ষিণ-পূৱ এছিয়ান বজাৰৰ সৈতে ভৌগলিক নিকটতা আৰু অসমৰ প্ৰচুৰ প্ৰাকৃতিক সম্পদৰ বিষয়েও বিস্তৃত ব্যাখ্যা আগবঢ়ায়। উল্লেখযোগ্য যে অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হ’ব এডভাণ্টেজ অসমৰ (দহ পৃষ্ঠাত চাওক)

# আয়াৰলেণ্ডৰ বিৰুদ্ধে শৃংখলা দখল ভাৰতৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজকোটত অভিলেখ সৃষ্টি ভাৰতীয় মহিলা ক্ৰিকেট দলৰ। এদিনীয়া ক্ৰিকেটত এটা ইনিংছত সৰ্বাধিক ৪৩৫ ৰান সংগ্ৰহ কৰি ভাৰতীয় পুৰুষ দলৰ ৪১৮ ৰানৰ অভিলেখ ভংগ কৰে মহিলা দলটোৱে। ভ্ৰমণকাৰী দল আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া মেচৰ শৃংখলাটোৰ তৃতীয় তথা অন্তিমখন এদিনীয়াত প্ৰতিকা ৰাৱাল আৰু স্মৃতি মান্ধানাৰ দৰ্শনীয় শতকৰ সহায়ত ভাৰতীয় মহিলা দলটোৱে ৫টা উইকেট হেৰুৱাই ৪৩৫ ৰান কৰি এদিনীয়া ক্ৰিকেটত সৰ্বাধিক ৰান কৰাৰ অভিলেখ সৃষ্টি কৰে। মাত্ৰ তিনিদিন পূৰ্বে ভাৰতীয় মহিলা দলে আয়াৰলেণ্ডৰ বিৰুদ্ধে সংগ্ৰহ কৰিছিল ৫ উইকেটৰ বিনিময়ত ৩৭০ ৰান। এয়া আছিল আন্তঃৰাষ্ট্ৰীয় মেচত ভাৰতীয় মহিলা দলৰ সৰ্বাধিক ৰান। কিন্তু ভাৰতীয় দলটোৱে দৰ্শনীয় বেটিঙেৰে নিজৰেই অভিলেখ ভংগ কৰি এক নতুন অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হয়। অধিনায়ক স্মৃতি মান্ধানাই মেচখনত ব্যক্তিগত কৃতিত্বও অৰ্জন কৰে। হৰমনপ্ৰীত কৌৰৰ অভিলেখ ভংগ কৰি দ্ৰুততম শতক অৰ্জনকাৰী ভাৰতীয় মহিলা খেলুৱৈ হোৱাৰ গৌৰৱ অৰ্জন কৰিলে স্মৃতিয়ে। যোৱা বছৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৮৭টা (দহ পৃষ্ঠাত চাওক)

# ৰাষ্ট্ৰীয় পথ-সুৰক্ষা মাহ উপলক্ষে কামৰূপ মহানগৰ জিলা নেহেৰু যুৱ কেন্দ্ৰৰ বিশেষ সজাগতা অনুষ্ঠান




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰীয় পথ-সুৰক্ষা সপ্তাহৰ লগত সঙ্গতি ৰাখি কামৰূপ মহানগৰ জিলা নেহেৰু যুৱ কেন্দ্ৰৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত পথ সুৰক্ষা সপ্তাহ উপলক্ষে কুইজ, ৰচনা লিখা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অসম বিদ্যামন্দিৰত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে জিলা পৰিবহণ বিভাগৰ এম ভি আই পঙ্কজ দাস, হোণ্ডা চেফটি ৰাইডিঙৰ সমন্বয়ক জয়ন্ত দাস (নপৃষ্ঠাত চাওক)

# শিল্পী দিৱস উপলক্ষে ধলিপাৰ স্থিত জ্ঞানম বিদ্যা নিকেতনত বঁটা বিতৰণী সভা আৰু সাংস্কৃতিক অনুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু তিথি উপলক্ষে ৰাজ্যৰ ভিন্ন ভিন্ন প্ৰান্তত আয়োজন কৰা হ’ল শিল্পী দিৱস। দক্ষিণ কামৰূপৰ পলাশবাৰীৰ সমষ্টিৰ ধলিপাৰত প্ৰতিষ্ঠিত ব্যক্তিগত খণ্ডৰ উন্নত মানদণ্ডৰ বিদ্যালয়ত শিল্পী দিৱস উপলক্ষে জ্ঞানম বিদ্যা নিকেতনটো ১৭ জানুৱাৰী দিনাখন দিনজোৰা কাৰ্যসূচীৰে বিদ্যালয় খনৰ বাৰ্ষিক বঁটা বিতৰণী সভা তথা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানৰ কাৰ্য্যসূচী ৰাতিপুৱা ৯ বজাত পতাকা উত্তোলন, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ, মঞ্চ মুকলি, মুকলি সভা লগতে নিমন্ত্ৰিত শিল্পীৰ গীতৰ শৰাইৰ সাংস্কৃতিক অনুষ্ঠান। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাৰ মঞ্চ মুকলি কৰে চিমিনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰহুল আমিনে। উক্ত সভাত মুখ্য অতিথি হিচাপে নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° সূৰ্য্য কলিতা, বিশিষ্ট অতিথি হিচাপে আয়াত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল মিৰ্জাৰ সঞ্চালক অপূৰ্ব ভাগৱতী আৰু জাৰপাৰা জাতীয় বিদ্যালয়ৰ সঞ্চালক দৰবেজ আলীৰ লগতে আন আন কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# উমৰাংছ’ৰ মৃতকৰ পৰিয়ালৰ্লৈ ১০ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা ৰাজ্য চৰকাৰৰ




ৰঙিলী বাৰ্ত্তাসেৱা- মৰিগাঁও জিলা আয়ুক্তৰ সভাকক্ষত ৰাজ্যিক কেবিনেটৰ বৈঠক অনুষ্ঠিত হয়। এই কেবিনেট বৈঠকত উমৰাংছ’ৰ কয়লাখনিৰ দুৰ্ঘটনা প্ৰসংগত একাধিক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেট বৈঠকৰ পিছতেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা, উমৰাংছ’ৰ কয়লাখনি দুৰ্ঘটনাৰ ন্যায়িক তদন্ত কৰাৰ বাবে কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে। উচ্চন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়ধীশ অণিমা হাজৰিকাৰ অধীনত ন্যায়িক আয়োগে তদন্ত কৰিব। ৩ মাহৰ ভিতৰত আয়োগে দাখিল কৰিব লাগিব প্ৰতিবেদন।” অসম চৰকাৰে মৃত চাৰিজনৰ নিকটাত্মীয়লৈ ১০ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত লৈছে। এতিয়ালৈ সম্ভেদ নোপোৱা আন পাঁচজন ব্যক্তিৰ পৰিয়ালৰ্লৈও ১০ লাখ টকাৰ ক্ষতিপূৰণ অনুদান প্ৰদান কৰা হ’ব। ইফালে ৰাজ্যত ৰেট হোল খননক লৈ সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ সন্দৰ্ভত SOP প্ৰস্তুত কৰা হ’ব। উমৰাংছ’ খনি দুৰ্ঘটনাৰ ফলত হোৱা প্ৰাণহানিৰ বিষয়টোত ইতিমধ্যে পঞ্জীয়ন কৰা এজাহাৰৰ আধাৰত সমগ্ৰ ঘটনাটোৰ তদন্তৰ বাবে ন্যায়াধীক শ্ৰীমতী অনিমা হাজৰিকাৰ নেতৃত্বত এখন SIT গঠন কৰা হ’ব। মুখ্যমন্ত্ৰীয়ে কয়, “ৰেট হোলসমূহ ক’ৰ পৰা আৰম্ভ হ’ল সকলোৰে প্ৰশ্ন। সেই অঞ্চলত প্ৰায় ২০০ টা কয়লা খাদ আছে। খনি আৰু খনিজ বিভাগে কেন্দ্ৰীয় সংস্থাসমূহৰ সৈতে আলোচনা কৰি সকলো ৰেট হোল কেনেকৈ পুতি পেলাব পাৰে তাৰ বাবেও আমি বিভাগক নিৰ্দেশ দিছোঁ।”

# ডিব্ৰুগড় কেঞ্চাৰ চেণ্টাৰত ৰাষ্ট্ৰ সেৱিকা সমিতিৰ উদ্যোগত ৰোগীৰ মাজত ফলাহাৰ বিতৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- ভোগালী বিহুৰ উৰুকাৰ দিনা ৰাষ্ট্ৰ সেৱিকা সমিতি, ডিব্ৰুগড়ৰ কৰ্মকৰ্তা সকলে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ অন্তৰ্গত চিকিৎসা প্ৰতিষ্ঠান ডিব্ৰুগড়ৰ কেঞ্চাৰ চেণ্টাৰত শতাধিক ৰোগীৰ মাজত ফলাহাৰৰ পেকেট বিতৰণ কৰে। তেওঁলোকে আগতীয়াকৈ সঞ্চালক ডাঃ নৰজ্যোতি চৌধুৰীৰ সৈতে যোগাযোগ কৰি তেওঁলোকৰ ইচ্ছাৰ কথা ব্যক্ত কৰাত বিশেষ সাৱধানতাৰে বিশেষ কেইবিধমান ফল অনাৰ অনুমতি দিয়াৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড়ৰ সেৱিকা সমিতিৰ কৰ্মকৰ্তাসকলে যথেষ্ট যত্নসহকাৰে স্বাস্থ্যসন্মতভাৱে পেকেটসমূহ প্ৰস্তুত কৰে। বিভাগীয় কাৰ্যবাহিকা দিপ্তীময়ী গগৈ, কল্পনা বুজৰবৰুৱা, ডাঃ জেনিতা বৰুৱা, মীনাক্ষি গোস্বামী,

(দহ পৃষ্ঠাত চাওক)

# ‘জনসেৱা সঁচা মানুহ বিচাৰি’ৰ ‘আমাৰ পদূলি আমাৰ গৌৰৱ’ শুভাৰম্ভণি অনুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ ধীৰেনপাৰাস্থিত স্বেচ্ছাসেৱী সংস্থা ‘জনসেৱা সঁচা মানুহ বিচাৰি’ৰ উদ্যোগত ১২ জানুৱাৰীত নৱজাগৰণ সংঘ প্ৰাংগনত ‘আমাৰ পদূলি আমাৰ গৌৰৱ’ শীৰ্ষক সজাগতামূলক অভিযানৰ কাৰ্যসূচীৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। সদস্য গকুল বৰুৱাই আঁত ধৰা অনুষ্ঠানত প্ৰাক্তন অধ্যাপক ড° কমল শৰ্মাই পৌৰোহিত্য কৰে। সংস্থাৰ সম্পাদক নুৰুল হক আহমেদে উদ্দেশ্য ব্যাখ্যা কৰা সভাত আদৰণি ভাষণ দিয়ে সদস্য মদন মোহন তালুকদাৰে। সভাত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই ধীৰেনপাৰাস্থিত ‘দেবেন খাখলাৰী’ উপপথটো মুকলি কৰাৰ পাছতে ‘জনসেৱা’ই লোৱা কাৰ্যসূচীৰ লগতে গোহাৰি পত্ৰ উন্মোচন কৰি গুৱাহাটী পৌৰ

(দহ পৃষ্ঠাত চাওক)

# বিচিচিআইৰ নতুন সচিব হিচাপে দায়িত্ব লাভ কৰিলে দেৱজিৎ শইকীয়াই



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ ক্ৰিকেট অনুৰাগীৰ বাবে এক ভাল খবৰ। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ডৰ (বি চি চি আই) স্থায়ী সচিব পদত অধিষ্ঠিত হ’ল অসম সন্তান দেৱজিৎ লন শইকীয়া। বিশেষ সাধাৰণ সভাৰ অন্তত বিচিচিআইয়ে আনুষ্ঠানিকভাৱে তেওঁৰ নাম সচিব হিচাপে ঘোষণা কৰে। ব’ৰ্ডৰ সংবিধান অনুসৰি এই খালী পদ পূৰণৰ বাবে ৪৫ দিনৰ নিৰ্ধাৰিত সময় আছিল আৰু এই সময়ৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে মনোনয়ন আহ্বান কৰা হৈছিল। সেই অনুসাৰে দেৱজিৎ শইকীয়াই সচিব পদৰ বাবে মনোনয়ন দাখিল কৰিছিল। কিন্তু এই পদৰ বাবে আন কোনো প্ৰাৰ্থীয়ে মনোনয়ন দাখিল নকৰাত দেৱজিৎ শইকীয়া আনুষ্ঠানিকভাৱে বিনা প্ৰতিদ্বন্দ্বিতাৰে সচিব পদত নিৰ্বাচিত হৈছে। উল্লেখ্য যে, জয় শ্বাহে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ (আই চি চি) অধ্যক্ষৰ পদ গ্ৰহণ কৰাৰ পাছত বি চি চি আইৰ সচিব পদটো খালী হৈ আছিল। যাৰ বাবে বি চি চি আইৰ

# মালিগাঁৱত কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



ৰঙিলী বাৰ্ত্তাসেৱা- ২০২৪ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা তথা বৃত্তি প্ৰদান উপলক্ষে মালিগাঁও বৰিপাৰাৰ তৰুণ সংঘ পুথিভঁৰাল খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। সভাত মুখ্যমন্ত্ৰীয়ে কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলৰ লগতে তেওঁলোকৰ পিতৃ-মাতৃ আৰু অভিভাৱকসকলক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সংকল্পবোৰক সিদ্ধিলৈ ৰূপান্তৰ কৰাৰ লগতে আহিবলগা পৰিৱৰ্তনসমূহৰ বিষয়ে অৱগত হৈ আগবাঢ়ি একবিংশ শতিকাৰ প্ৰতিযোগিতা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ’বলৈ নিজকে প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

# শিল্পী ৰাজীৱ শদিয়াৰ অকাল বিয়োগত ৰাইজৰ দলৰ গভীৰ শোক প্ৰকাশ



ৰঙিলী বাৰ্ত্তাসেৱা- জাতি মাটিক ভাল পোৱা এগৰাকী স্বাভিমানী অসমীয়া শিল্পী ৰাজীৱ শদিয়াৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। এক শোকবাৰ্তাত গগৈয়ে কয় যে দেশৰ বাবে, জাতিৰ বাবে, জনগণৰ বাবে ভৰা মানুহ এজন অকালতে হেৰোৱালোঁ। উল্লেখ্য প্ৰতিখন মঞ্চতে জাতীয় চেতনা ভৰা গীতেৰে জনগণক উদ্ধুদ্ধ কৰি অহা প্ৰয়াত ৰাজীৱ শদিয়া ৰাইজৰ দলৰ এগৰাকী শুভাকাংক্ষী হোৱাৰ লগতে তেওঁ দলৰ এটি থিম ছঙটো কণ্ঠ দিছিল। ৰাজীৱ শদিয়াৰ মৃত্যুৱে অসমৰ সাংস্কৃতিক জগত খনত এটা বিশাল শূণ্যতাৰ সৃষ্টি কৰিলে। ৰাইজৰ দলৰ তৰফৰ পৰা তেখেতৰ শোক-সন্তপ্ত পৰিয়াল বৰ্গ আৰু সহস্ৰ অনুৰাগীলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলো।

# ৰাজীৱ শদিয়াৰ আকস্মিক মৃত্যুত অসম জাতীয় পৰিষদৰ শোক



ৰঙিলী বাৰ্ত্তাসেৱা- জাতীয় চেতনাৰে উদ্বুদ্ধ, জনপ্ৰিয় কণ্ঠশিল্পী ৰাজীৱ শদীয়াৰ আকস্মিক মৃত্যুত গভীৰ শোক ব্যক্ত কৰিছে অসম জাতীয় পৰিষদে। দলৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই এক শোকবাৰ্তাত কয় যে জাতি, মাটি আৰু মানুহৰ লগত সম্পৃক্ত হৈ, মঞ্চই মঞ্চই নিজৰ কণ্ঠৰে জাতীয় চেতনাৰে মানুহক উজ্জীৱিত কৰি অহা সকলোৰে মৰমৰ কণ্ঠশিল্পী ৰাজীৱ শদিয়াৰ বিয়োগ জাতীয় জীৱনৰ বাবেই এক শোকৰ খবৰ । বিপ্লৱী গীতেৰে জনতাক উদ্বুদ্ধ কৰা জনতাৰ আপোন শিল্পীগৰাকীয়ে গীতৰ জৰিয়তে অসমবাসীৰ চেতনাক আলোড়িত কৰিবলৈ সদায়েই প্ৰয়াস কৰিছিল। অসমৰ জাতীয় জীৱনে সন্মুখীন হোৱা সংকটৰ সময়বোৰত আপোচবিহীন দৃঢ়তাৰে গীতৰ মাজেৰেই জনতাক জাগ্ৰত কৰাত ৰাজীৱ শদীয়াই আগবঢ়োৱা অৱদান যুগে যুগে স্মৰণীয় হৈ ৰ’ব। দলে শিল্পীগৰাকীৰ শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতিও সমবেদনা জ্ঞাপন কৰে ।

# বাপতি সাহোন ভোগালী বিহুৰ এটি টোকা



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

বিহু তিনিটা অসমৰ জাতীয় উৎসৱ হোৱাৰ লগতে অসমীয়া জাতিৰ আয়ুস ৰেখা বুলি কয়। তিনিটা বিহু শস্যৰ ওপৰত ভিত্তি কৰি প্ৰতিষ্ঠিত আৰু পূৰ্বপুৰুষৰ দিনৰ পৰাই পালন কৰি আহিছোঁ। আমাৰ অসম এখন বহুল জাতি জনগোষ্ঠীয় ৰাজ্য হিচাপে প্ৰত্যেক জনগোষ্ঠীৰ পৰম্পৰা ৰীতি- নীতি ভাষা বেলেগ হ'লেও মূলতে আমি বৃহৎ অসমীয়া জাতি বুলিয়ে অনুভৱ কৰো। বিহুৰ লগতে অসমীয়া জাতিটোৰ লোক সংস্কৃতি থলুৱা শিল্প, উৎসৱ, খেল ধেমালি সকলো অন্তৰ্নিহিত হৈ আছে। বিহুৰ মাজেৰে আমি একতাৰ বান্ধোনৰ অনুভৱ কৰোঁ। যান্ত্ৰিকতাৰ জীৱনত সকলো ব্যস্ত থাকে কিন্তু বিহু উৎসৱ আদিৰ মাজেৰে আপোনসকলৰ সৈতে এখন্তেক মিলিত হ'বলৈ সময় পাই হাঁহি ধেমালিৰে এসাজ খায়। প্ৰতিটো বিহুৰ একোটা নিজস্ব বৈশিষ্ট্য আছে। ডাঙৰক সন্মান শ্ৰদ্ধা কৰা লগতে সৰুক মৰম আদিৰ নীতি-শিক্ষাও বিহু তিনিটাতে সোমাই আছে।এয়া পূৰ্বপুৰুষৰ পৰা চলি আহিছে চলি থাকিব।

এই বিহু তিনিটাৰ অন্যতম ভোগৰ ভোগ মাঘ বিহুক ভোগালী বিহু বুলি কয়। পুহ মাহৰ সংক্ৰান্তীৰ দিনাৰ পৰাই মাঘ বিহু আৰম্ভণি হয়। মাঘ বিহুক ভোগৰ বিহু এই কাৰণে কোৱা হয়, এই সময়ত শস্যৰ চাৰিওফালে উভৈনদী হয় ভঁৰালত লখিমী পৰিপূৰ্ণ। পুখুৰীৰ মাছ, গাখীৰ , শাক-পাচলিৰ অভাৱ নাথাকে।

মাঘ বিহুত পিঠা পনা, চিৰা, সান্দহ পিঠাগুৰিৰ বিভিন্ন খাদ্য প্ৰস্তুত গাঁও প্ৰায় ভাগ মানুহে কৰা দেখা যায়। বৰ্তমান চহৰ অঞ্চলৰ বাস কৰা লোক সকলে নিজে প্ৰস্তুত নকৰিলেও, বিভিন্ন প্ৰতিষ্ঠানে আয়োজন কৰা বিপনীত বা মেলাৰ যোগেদি এই সকলো বস্তু পোৱাৰ সুবিধা পাইছে। পিঠা-পান এই বোৰ প্ৰস্তুত কৰাত আমাৰ চহা অসমীয়া সকলৰ ঢেঁকী ওতঃপ্ৰোত ভাৱে জড়িত। অনুভৱ হয় ঢেঁকী আমাৰ বাবে আইতাৰ তামোল খুন্দি খোৱা খুন্দনাটোৰ সমান হিয়াৰ আপোন।

অসমীয়াৰ জাতীৰ বিহুৰ আনন্দ সুকীয়া। ঠাই, ভাষা বিশেষে ইয়াৰ ৰীতি-নীতি ভিন্ন। উজনি অসমৰ আৰু নামনি অসমৰ মাঘৰ বিহুৰ পাৰ্থক্য। আমি নামনিৰ কামৰূপৰ বাসিন্দা হিচাপে এই বিহুটি পুহ মাহৰ সংক্ৰান্তী অৰ্থাৎ দোমাহীৰ দিনা উৰুকা হিচাপে পালন কৰোঁ। ভেলাঘৰ বনাই ডেকা - গাভৰু সকলে ল'গ লাগি ভোজ ভাত খায়। উৰুকাৰ পিছদিনা ৰাতিপুৱা স্নান কৰি সূৰ্য্য দেৱতাক সেৱা জনাই ভেলাঘৰত অগ্নি প্ৰজ্বলিত কৰা হয়। সমূহীয়াকৈ মাহ-প্ৰসাদ আগবঢ়ায় সকলোৱে কুশলে থকাৰ প্ৰাৰ্থনা কৰে। মাঘ বিহুত আমাৰ গাঁওত ঘৰে ঘৰে সাত খন ব্যঞ্জন খোৱা নিয়ম আছে। মাঘৰ এক তাৰিখে (মাঘৰ পন্তা) মানে আগদিনা ৰাতি ৰন্ধা সাতখন ব্যঞ্জন বনাই পিছদিনা খোৱা নিয়ম। এনেকৈ খালে শৰীৰ নিৰোগী আৰু বাঘৰ দৰে বলবান শক্তিশালী হয় বুলি শুনি আহিছো। সেই মতে সকলো গাঁও বাসীয়ে এই নিয়ম পালন কৰি আহিছে এক নৈসৰ্গিক জীৱনৰ মাদকতা বিচাৰি পোৱা যায়।

মনত পৰে এবাৰ সৰুতে আমি মাহীহতৰ ঘৰত ভেলাঘৰ বনাইছিলোঁ। ৰাতি খানা খাওঁতে চৰু মাংস বনাবলৈ তেল দিওঁতে ভেলাঘৰৰ ওপৰৰ পৰা নৰা বোৰ পৰি চৰুটো জুই জ্বলি গৈছিল। পিছত মাহী আৰু মহাদেওঁ আহি সকলো পৰিপাটি কৰি ভেলাঘৰৰ পৰা সকলো খোৱা সামগ্ৰী বোৰ নি ঘৰতে বনাই দিছিল। আজিও মনত পৰিলে হাঁহি উঠে কি যে আমেজ লগা পৰিবেশ আছিল।

গতিকে বাপতি সাহোন বিহুতিৰ লগত আমাৰ বৃহত্তৰ অসমীয়া সমাজখনৰ ওতঃপ্ৰোত সম্বন্ধ আছে। যেতিয়া লৈকে এই পৰম্পৰা বোৰ থাকিব আমাৰ সমাজখনৰ ঐতিহ্য সুৰক্ষিত হ'ব।


# আবেগিক, সংবেদনশীল মানুহবোৰৰ মনৰ কথাবোৰ



**শৈলেন কুমাৰ, মির্জা**

সচৰাচৰ আমাৰ জীৱনত সংঘটিত হৈ থকা বহু কথাই হয়তো আমাৰ মন আবেগিক কৰি তুলিব পাৰে। মানুহ এজনৰ ভিতৰত যদি সংবেদনশীলতা নাথাকে তেন্তে তেনেকুৱা মানুহক আপুনি কি বুলি ভাবিব? আপোনাৰ ভাৱধাৰা নিত্য একান্ত বা ব্যক্তিগত হব পাৰে যিটো আন বহুজনৰ লগত নিমিলিবও পাৰে কিন্তু এটা কথা সত্য যে জীৱনৰ কোনোবা নহয় কোনোবা মুহূৰ্তত আপুনিও হয়তো আবেগিক হৈ পৰিছে নহয়নে বাৰু? আবেগিক হোৱাৰ বহু কাৰণ থাকিব পাৰে যেনে এজোপা গছ দৈনিক প্ৰত্যক্ষ কৰে আপুনি আৰু হঠাতে সেই গছজোপা কাটি পেলোৱা হয়, ঘৰত আপোনাৰ পোহনীয়া জীৱ জন্তু আছে তাকলৈ আপুনি সংবেদনশীল। এজন ব্যক্তি আন এজন ব্যক্তিৰ প্ৰতি সংবেদনশীল হব পাৰে। দৰাচলতে সংবেদনশীলতাই আমাৰ মানৱজীৱনৰ চালিকাৰ মাধ্যম হিচাপে ক্ৰিয়া কৰে। জীৱনটো সুন্দৰ ভাৱে উদযাপন কৰিবলৈ হ'লে আবেগিক মন এটাৰ বাৰুকৈয়ে প্ৰয়োজনবোধ কৰোঁ। যদিও ব্যস্ততাপূৰ্ণ জটিল আমাৰ বৰ্তমানৰ সমাজব্যৱস্থা তথাপিও আবেগিক আৰু সংবেদনশীল মন এটাই কৰবাত নহয় কৰবাত আমাক আধুনিকতাৰ খামখেয়ালীৰ পৰা কিছু পৰিমাণে হ'লেও আঁতৰত ৰাখিবলৈ বাধ্য কৰে কিন্তু অজানিতে আমি সেই কথাবোৰত ধ্যান নিদিওঁ। আবেগিক, সংবেদনশীল মন এটাই আমাক মানুহৰ মানৱতাৰ লগত পৰিচয় কৰি দিয়ে, জনসমুদ্ৰৰ মাজতো আপোনাক অকলশৰীয়া কৈ থাকি পৃথক চিন্তাচৰ্চা কৰিবলৈ উদ্যমীত কৰে। কিন্তু আমি মানুহৰ মনবোৰ আজিকালি বস্তুৰে জোখমাখ কৰোঁ যাৰবাবে মানুহৰ প্ৰকৃত মনটো চিনিব পৰাৰ পৰা বঞ্চিত হওঁ। কেতিয়াবা মনত ভাৱ আহে যদিহে জগতখনত বস্তুৰে জোখমাখ কৰা পদ্ধতিটো সলনি হ'লেহে তেতিয়া এই পৃথিৱীখন কিমান সুন্দৰময় হৈ পৰিলে হেতেন। কেতিয়াবা আপুনি ব্যস্ততাৰ দৌৰৰ পৰা অলপ আঁতৰি সকলোকে আবেগিক আৰু সংবেদনশীলতাৰ দৃষ্টিৰে প্ৰত্যক্ষ কৰিবচোন, তেতিয়া চাব আপুনি এক বিশেষ আবেগ অনুভূতি অনুভৱ কৰিছে।

# নুবুজা সাঁথৰ



**সংগীতা ডেকা, ৰঙিয়া**

মই শুনো,  
সি নিৰবে গুণগুণাই থকা  
সেই আত্মজ গীতবোৰ!  
প্ৰতিটো লহৰে লহৰে  
এথোপা এথোপাকৈ,  
শব্দ বাগৰি আহে  
মোৰ হৃদয়ত !  
মোৰ উশাহবোৰত আহি  
মৃদু মৃদুকৈ মিলি যায়  
সপোন খেপিয়াই ফুৰা,  
তাৰ দিঠক সামৰি সুতৰি লোৱা  
আত্মমন্থনৰ উশাহবোৰ ।  
সেই অবুজ শ্বাস প্ৰশ্বাসক  
মোৰ চিঞাহীৰ সপ্তদ্বীপাই  
সামৰিব খোজে, কিন্তু !  
আৰু আৱেগবোৰ ?  
নাই, সেয়াতো এক নুবুজা সাঁথৰ হে!

যোৰাখগুৰ পৰা...

# আধুনিক ভাৰতৰ স্বপ্নদ্ৰষ্টা ৰতন টাটা



কবিতা শৰ্মা, গুৱাহাটী

১৪০ কৌটিতকৈ অধিক জনবহুল দেশ ভাৰত বৰ্ষত ৰতন টাটাতকৈ বেছি সন্মান আৰু ভালপোৱা কোনো শিল্পপতিৰ ভাগ্যতে হোৱা নাছিল। কি আছিল তেওঁৰ এই জনপ্ৰিয়তাৰ কাৰণ? ইয়াৰ একমাত্ৰ কাৰণ হ'ল ব্যৱসায়িক দক্ষতাৰ উপৰিও তেওঁৰ আছিল অসাধাৰণ মানৱীয় গুণ। তেওঁ আছিল এনে এজন ব্যক্তি যি সমাজ খনৰ পৰিৱৰ্তন আৰু উন্নীতকৰণৰ কথা চিন্তা কৰিছিল। তেওঁ কৈছিল ব্যৱসায়ৰ অৰ্থ কেৱল ব্যক্তিগত লাভালাভ অৰ্জন কৰাই নহয়, বৰঞ্চ সমাজখনৰ ওপৰতো এই লাভৰ প্ৰভাৱ পেলোৱা ইয়াৰ অন্যতম কাৰণ হোৱা উচিত। ৰতন টাটাৰ হাত ধৰি আগুৱাই যোৱা " টাটা ট্ৰাষ্ট " ভাৰতৰ অন্যতম বিশাল দাতব্য প্ৰতিষ্ঠানৰ এটা। প্ৰযুক্তিক কেন্দ্ৰ কৰি শিক্ষাৰ্থীসকলক বৃত্তি দিয়া, স্বাস্থ্যসেৱা, গ্ৰামীন উন্নয়নৰ লগতে সাধাৰণ ভাৱে জীৱন যাপনত সহায়তা কৰা আদি সামাজিক কামত তেওঁ সদায়েই জড়িত আছিল। ইণ্ডিয়ান ইন্সটিউট সহ বিভিন্ন শিক্ষা অনুষ্ঠানত অনুদান দিছিল। ৫০টাৰো অধিক ষ্টাৰ্ট আপৰো পৃষ্ঠপোষকতা কৰিছিল। আনৰ সপোন মুকলিকৈ সমৰ্থন কৰা আৰু সেই সপোন সাকাৰ কৰাৰ বাবে সহযোগ কৰা তেওঁৰ উৎকৃষ্ট গুণ সমূহৰ অন্যতম। সেয়েহে বৰ্তমান সময়ত ভাৰতৰ ষ্টাৰ্ট আপৰ মাৰ্গদৰ্শন কৰোঁৱা আৰু ভবিষ্যতৰ সম্ভাৱনাৰে ভৰা উদ্যমত নিৱেশ কৰাৰ বাবে তেওঁ বিখ্যাত হৈ পৰিছিল। তেওঁ যুৱা এন্টাৰপ্ৰেনিৰৰ সকলৰ আশা আকাংক্ষা বুজি পাইছিল, সমৰ্থন কৰিছিল আৰু সেয়া বিকশিত হোৱাত সহায় কৰিছিল। দেশৰ প্ৰতিটো দুৰ্যোগৰ সময়ত সকলোৰে লগত ঠিয় দিছিল। কৰোনা মহামাৰীৰ সময়ত ৫০০ কৌটি টকাৰ অনুদান তেওঁ আগবঢ়াইছিল। মুম্বাইৰ প্ৰাণঘাটী ২৬/১১ আক্ৰমণৰ পাছত তেওঁ " তাজ পাব্লিক সাৰ্ভিচ ওৱেলফেয়াৰ ট্ৰাষ্ট" নামেৰে এটা তহবিল গঠন কৰিছিল। আক্ৰমনৰ ঘটনাত ভুক্তভোগী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্য সকলৰ পুৰ্ণবাসনৰ বাবে ব্যয় কৰিছিল। কুকুৰ তেওঁৰ বৰ প্ৰিয় আছিল। টাটা সঙ্ঘৰ বৈশ্বিক সদৰ দপ্তৰ ত যি "বোম্বে হাউচ" নামেৰে পৰিচিত ৰাস্তাৰ কুকুৰক আশ্ৰয় দিয়াৰ ব্যৱস্থা কৰিছিল। কুকুৰ বোৰৰ খবৰ ৰাখিছিল। এবাৰ তেওঁ এক বৰষুণৰ দিনত একেটা পৰিয়ালৰ চাৰিজন সদস্য এখন মোটৰ বাইকত মুম্বাইৰ বাটত ভিজি ভ্ৰমণ কৰা দৃশ্য দেখা পাই, পৃথিৱীৰ ভিতৰতে সস্তা "টাটা নেনো" ৰ দৰে গাড়ী নিৰ্মাণত বিনিয়োগ কৰিছিল। কাৰণ এই ঘটনাই তেওঁক ভবাই তুলিছিল যে বিকল্পৰ সীমাবদ্ধতাৰ বাবে সাধাৰণ মানুহে নিজৰ জীৱনকো বিপদাপন্ন কৰিব লগীয়া হয়। ২০২১ বৰ্ষত তেওঁৰ এজন অসুস্থ কৰ্মীক চাবলৈ লৰালৰিকৈ তেওঁ বেঙ্গেলুৰু লৈ গৈছিল। তেওঁক প্ৰায়েই গাড়ী চালকৰ কাষৰ আসনত বহা দেখা গৈছিল। সাধাৰণ মানুহৰ প্ৰতি তেওঁ কিমান অনুভূতিশীল আছিল তেওঁৰ জীৱনৰ এই ঘটনা সমুহৰ পৰাই বুজিব পাৰি।

তেওঁ আছিল "টীম ৱৰ্ক" ত বিশ্বাসী। তেওঁ কৈছিল যে-"যদি আপুনি বেগাই যাব বিচাৰে তেতিয়াহলে অকলে যাবক, কিন্তু যদি আপুনি বহুদূৰ যাব বিচাৰে তেনেহলে একে লগে যাবক।" বিনিয়োগকাৰী, গ্ৰাহক, কৰ্মচাৰী আৰু নিজৰ দেশ- এই সকলোবোৰকে লগত লৈ যাব বিচৰা তেওঁৰ এই জীৱন দৰ্শনেই তেওঁক সফলতাৰ উচ্চ শিখৰত প্ৰতিস্থিত কৰিছিল ।


ইমান কোম্পানী, ইমান ব্যৱসায় কৰা স্বত্বেও কিন্তু ৰতন টাটাৰ নাম পৃথিৱীৰ ধনী মানুহৰ শীৰ্ষৰ তালিকাত নাই। কাৰণ তেওঁ সম্পূৰ্ণ লাভৰ ৬৬% অংশ "টাটা ট্ৰাষ্ট" লৈ দান কৰি দিছিল। জীৱন জুৰি এনেবোৰ সজ কামত নিজৰ জীৱনটোক উৎসৰ্গিত কৰিছিল। স্বীকৃতিও পাইছে। ২০০০ বৰ্ষত ভাৰত চৰকাৰে দেশৰ তৃতীয় সৰ্বোচ্চ অসামৰিক সন্মান "পদ্মভূষণ" আৰু ২০০৮ চনত দ্বিতীয় সৰ্বোচ্চ সন্মান "পদ্মবিভূষণ" ৰে বিভূষিত কৰা হয়। বাহিৰৰো বহু কেইখন বিশ্ববিদ্যালয়ৰ পৰা তেওঁ সন্মানজনক ডিগ্ৰী লাভ কৰিছে। আমাৰ ৰাজ্যতো শিক্ষা, স্বাস্থ্য আৰু অন্যান্য সামাজিক ক্ষেত্ৰত আগবঢ়োৱা তেওঁৰ সুদূৰ প্ৰসাৰী অৱদানৰ বাবে অসম চৰকাৰে তেওঁক ৰাজ্যখনৰ সৰ্বোচ্চ অসামৰিক সন্মান "অসম বৈভৱ" ৰে বিভুষিত কৰিছে।

ৰতন টাটাৰ ব্যক্তিত্ব ইমান বিশাল আছিল যে কোনো শব্দৰে প্ৰকাশ কৰা সহজ নহয়। পৃথিৱীত এনে বহুত কম মানুহে জন্ম লয় যি নিজৰ জীৱনত এনেকৈ জীয়াই থাকে যে সেয়া এক ইতিহাস হৈ পৰে। ২০২৪ বৰ্ষৰ ৯ অক্টোবৰত এই গৰাকী মহান ব্যক্তিৰ পৰলোক প্ৰাপ্তি হয়। তেওঁৰ মৃত্যুত দেশে এক অমূল্য ৰতন হেৰুৱালে। তেওঁ আজি আমাৰ মাজত নাই যদিও এজন মহান শিল্পপতি আৰু দানবীৰ হিচাপে তেওঁৰ নাম আমি সন্মানেৰে স্মৰণ কৰিম। তেওঁ জীৱন কালত বহুতো বঁটা বাহনেৰে সন্মানিত হয় যদিও, যি সকলোতকৈ বেছিকৈ পালে সেয়া হ'ল মানুহৰ মৰম আৰু সন্মান। তেওঁ লৈ গভীৰ শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

যোৰাখগুৰ পৰা...

# ৰত্না দত্তৰ 'দ্বিতীয়া' উপন্যাস

ঈপ্সিতা কন্দলী শৰ্মা




তেওঁ তেজীক কষ্ট দিব বুলি কেনেকৈ ভাবিব পাৰিলে? তেজীৰ দুখৰ কাৰণ হ'বলৈ নহয়, তেজীৰ সুখৰ বাবেহে মই তেওঁক আনিছোঁ।" (পৃষ্ঠা ২০৯, দ্বিতীয়া) - সেই মুহূৰ্ত্তত তেওঁৰ মন এক অজান বিষাদে ভৰি পৰিছিল। সাউদে কোৱা কথাষাৰ বাৰে বাৰে তেওঁৰ কাণত বাজিবলৈ ধৰিছিল- "তেজীৰ সুখ !তেজীৰ সুখৰ বাবেহে তেওঁ মোক আনিছে। তাৰ মানে মোৰ সুখ-দুখৰ কোনো মূল্যই নাই এই পৃথিৱীত! আই-পিতাই চিন্তা কৰিছিল কেনেকৈ ছোৱালীজনীৰ বয়স উকলি যোৱাৰ আগেয়ে আনক গতাই দিয়া যায় আৰু সাউদে চিন্তা কৰিলে তেজীক কেনেকৈ সুখী কৰা যায়।"(উপন্যাস দ্বিতীয়া, পৃষ্ঠা ৫৪-৫৫) মানুহজনৰ মুখত তাইৰ বাবে এনে শব্দ তাই মনে প্ৰাণে আশা কৰিছিল যি শব্দ বা বাক্যই তাইক উপলব্ধি কৰোঁৱাব পাৰে যে নতুন ঘৰখনত -মানুহজনৰ হৃদয়ত তাইৰো গুৰুত্ব আছে, তাইৰো এটি সুকীয়া স্থান আছে, তাইৰো অস্তিত্ব আছে। সাউদৰ এইখন দ্বিতীয় বিবাহ; কিন্তু তাইৰটো এইখন প্ৰথম বিয়া! বিয়াৰ পিছত এগৰাকী নাৰীয়ে স্বামীৰ পৰা কি আশা কৰে! তাইৰ স্বামীৰ দেখোন খবৰেই নাই? তাইৰটো যৌৱন এতিয়াও আছে! যৌৱনৰ হাবিয়াসবোৰ তাই ভেটা দি ৰাখিব পাৰিবনে? কি অসহনীয় হৈ পৰিছে তাইৰ বাবে এটি এটি দিন পাৰ কৰা কাকো বুজাবও নোৱাৰে। অতৃপ্ত জীৱনৰ যন্ত্ৰণা কিমান গভীৰ হ'ব পাৰে সেয়া উপলব্ধি কৰিব পাৰিবনে সাউদে? আনকি এইবোৰ কথা তাই মাক-আইতাককো ক'ব নোৱাৰে। কিমান অকলশৰীয়া তাই! দিন বাগৰাৰ লগে লগে তাইৰ বাবে কিছুমান কথাৰ গুৰুত্ব নোহোৱা হৈছিল।

কামবোৰত মন নবহা হৈছিল। ৰাতিপুৱা সোনকালে উঠি পৰিপাটিকৈ সাজযোৰ পিন্ধি নিজকে সজাই ৰখাৰ হেঁপাহ নোহোৱা হৈছিল। প্ৰথম পত্নী জেউতিক তাই বিয়াৰ পূৰ্বে দেখিছিল। জেউতিৰ ৰূপ-সৌন্দৰ্য তেজীমলাৰ মাজত দেখি তাই আৰু অসহ্য হৈ পৰিছিল। তেজীমলাক দেখিলেই তাইৰ সাউদৰ প্ৰথম পত্নীৰ কথা বাৰে বাৰে মনলৈ আহে আৰু সাউদৰ যে তাই দ্বিতীয় পত্নীহে, সাউদে আগেয়েই কাৰোবাক মনৰ মাজত ঠাই দিছে!- এই কথাটোৱে তাইৰ বুকুৰ বিষটো বঢ়ায়। নোৱাৰে তাই এইবোৰ সহ্য কৰিব। নোৱাৰে তাই কাৰোবাৰ দ্বিতীয় পত্নী হৈ থকাটো অন্তৰেৰে স্বীকাৰ কৰি ল'ব। তথাপি তাই আশাকণ কৰিছিল সাউদৰ আন্তৰিকতাই হয়তো তাইক বহু কথা সহজে লোৱাত সহায় কৰিব। সাউদৰ কাষত যেতিয়া তাই এটি সন্তানৰ মাতৃ হ'বলৈ ইচ্ছা প্ৰকাশ কৰিছিল সেই মুহূৰ্ত্তত সাউদৰ কথাত তাইৰ সেই আশাকণো নোহোৱা হৈছিল। সাউদে তাইৰ কথাৰ উত্তৰত কৈছিল -'এতিয়াই নহয়। এতিয়াই এইবোৰ কথা নাভাবিবা। এই ঘৰখনৰ সৈতে, তেজীৰ সৈতে তোমাৰ সম্পৰ্কটো সহজ হৈ উঠক। শুনা, তোমাৰ, আমাৰ সকলোৰে ভালৰ কাৰণে কৈছোঁ। তুমি তেজীক নিজ ছোৱালী বুলি সাৱটি লোৱা। তেজীয়েও তোমাৰ মাজত নিজৰ মাকক বিচাৰি পাওক। এটা সন্তান জন্ম দিয়াটো, তাক তুলি-তালি ডাঙৰ -দীঘল কৰাটো কম কথানে? তাৰ বাবে তোমাৰ মনটো মুকলি হ'ব নালাগিব নে?'(পৃষ্ঠা, ৫৬-৫৭, উপন্যাস, দ্বিতীয়া)

কিমান আৰু শুনিব তাই তেজী আৰু জেউতিৰ কথা। উপলব্ধি কৰিছিল তাই সিদিনা বাৰুকৈয়ে এই সাউদৰ বাবে জেউতি আৰু তেজীৰ স্থান কি আৰু তাইৰ স্থান কি ? উপলব্ধি কৰিছিল তাই এই মানুহজনক কাহানিও অন্তৰত ঠাই দিব নোৱাৰিব! ইয়াতকৈ আৰু দুখৰ কথা তাইৰ বাবে কি হ'ব পাৰে? লাহে লাহে কঠোৰ হৈ গৈয়েই থাকিল মানুহজনী। তেওঁৰ মনত এটা কথাই শিপাবলৈ ধৰিছিল যে - 'তেওঁৰ কোনো গুৰুত্ব নাই কাৰোৱেই ওচৰত। তেওঁ আছে কেৱল তেজীক চোৱাচিতা কৰিবলৈ। তেওঁৰ হাবিয়াসৰ খবৰ লোৱা কোনো নাই। সঁচাই অকলশৰীয়া তেওঁ!' চাৰিওফালে বনকৰা মানুহৰে ভৰি থকা ঘৰখনত, ধন-সম্পত্তিৰে ভৰি থকা ঘৰখনত, তেজী আৰু সাউদৰ পৰা কোনো কথাতেই কোনোদিনেই বেয়া ব্যৱহাৰ নোপোৱা মানুহগৰাকীৰ মন কিন্তু কিবা এক শূণ্যতাৰে ভৰি পৰিছিল লাহে লাহে আৰু ঘৰখনৰ কোনেও উমানকেই পোৱা নাছিল। এই শূণ্যতাই নিজৰ জীৱনটোৰ প্ৰতি অনীহা নমাইছিল। মানুহগৰাকী লাহে লাহে যেন দুজনী মানুহলৈ পৰিৱৰ্তন হৈছিল। ভিতৰৰ মানুহজনীৰ চিন্তাবোৰ বৰ আচহুৱা হৈ পৰিছিল নিজৰ কাষতেই । - "এটা সময় আছিল, মোৰ বুকুৱেদি হাঁহিৰ নিজৰা বৈছিল। এতিয়া সকলো শেষ হৈছে। মোৰ বুকু শিলনি হৈ গ'ল। এই শিলনিয়েদি কেতিয়াবা আকৌ কলকল নৈ ব'বনে? মোৰ কান্দিবৰ মন গৈছে মই হেৰাই গ'লো ক'ৰবাত। মোৰ ভিতৰত এজনী মানুহৰ মৃত্যু হ'ল। নতুন এজনী মানুহৰ জন্ম হ'ল। এইজনী মানুহ মই চিনি নাপাওঁ। অথচ এইজনী মানুহৰ লগতে মই থাকিব লাগিব

(আঠপৃষ্ঠাত চাওক)


অসম চৰকাৰ
বিদ্যালয় শিক্ষা বিভাগ
গুণোৎসৱ ২০২৫
গুণগত শিক্ষাৰ মান
নিশ্চিতকৰণৰ এক প্ৰয়াস
গুণোৎসৱ
সমগ্ৰ শিক্ষা
Samagra Shiksha
JANASANYOG- 3958/24/19-Jan-25
দ্বিতীয় পৰ্যায় (১৭-২২ জানুৱাৰী ২০২৫)
১৪ জিলা
বাক্সা, চৰাইদেউ, চিৰাং, ধেমাজি, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ (মহানগৰ), শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং
স্ব-মূল্যায়নৰ তাৰিখ
১৭ জানুৱাৰী ২০২৫
বহিঃমূল্যায়নৰ তাৰিখ
২০-২২ জানুৱাৰী ২০২৫
বিদ্যালয়ৰ সংখ্যা ১৫,৬৬৩
• চৰকাৰী/প্ৰাদেশীকৃত বিদ্যালয়
• আদৰ্শ বিদ্যালয়
• চাহ বাগিচা আদৰ্শ বিদ্যালয়
• কস্তুৰবা গান্ধী বালিকা বিদ্যালয়
• নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয়
• চাহ বাগিচা কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত বিদ্যালয়
ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৪,১৪,৯৩২
• প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ
বহিঃমূল্যায়কৰ সংখ্যা ৬,২৫৩
• মন্ত্ৰী, সাংসদ, বিধায়ক, মুখ্য কাৰ্যবাহী সদস্য, কাৰ্যবাহী সদস্য, আই এ এছ, আই পি এছ, আই এফ এছ, এ চি এছ, এ পি এছ, এ এফ এছ, অসম চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বিষয়া ইত্যাদি
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
আমি সকলোৱে মিলি গুণোৎসৱ ২০২৫ৰ সফল ৰূপায়ণ নিশ্চিত কৰাৰ লগতে আমাৰ শিশুসকলৰ উজ্জ্বল ভৱিষ্যতৰ পথ প্ৰশস্ত কৰোঁ আহক
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# সৰাপাতে পাতে পাতে ফাগুন নামে



ফাগুন তোমাক জনালোঁ নিমন্ত্ৰণ/তুমি আহিবা আৰু অনিবা অলেখ তোমাৰ ৰং/তাৰে ৰঙাবা মোৰ মন তোমাক জনালোঁ নিমন্ত্ৰণ। ফাগুনে এটি সেউজীয়া সপোন লৈ ধৰালৈ নামে, ধ্যান মগ্ন পৃথিৱীৰ তুমি ধ্যান ভগ্ন কৰা, স্বপ্ন মগ্ন পৃথিৱীক দিয়া ফাগুনৰ বতৰা। গীতিকাৰ অনুৰাধা দাসৰ কলমত, সুৰ-সঙ্গীত সলীল চৌধাৰী, সবিতা দাস চৌধুৰী কণ্ঠৰ এটি সুমধুৰ গীতেৰে ই যেন আমি ফাগুণক "স্বাগতম" জনাওঁ ।

প্ৰাচীন সুৰ এটি ফাগুন,

**ববিতা বৰঠাকুৰ,কুৰালগুৰি**

উদংৰূপ ৰসত পৃথিৱীয়ে হাত বাউলি মাতে আকাশৰ কোমলতাক পলাশ, শিমলু, মদাৰৰ সেন্দুৰীয়া ৰং এটাই মনত দোল দিয়ে। সৰাপাতে চোতাল উপচে, এই সৰাপাতৰ বুকুত থাকে হাজাৰ হৰ্ষ-বিষাদৰ অভিজ্ঞতা। এদিন এই পাতবোৰেই চিৰসেউজীয়া হৈ গছৰ সৌন্দৰ্য বঢ়াইছিল। ন-কুঁহি পাতটিৰ বাবে আসন এৰি সৰাপাত আজি ঠিকনা বিহীন। সৰাপাতৰ মৰ্মৰণিত সাৰপায় কবিৰ করুণ ভাৱ, নাইবা বসন্তৰ কুঁহিপাতৰ স্বাগতম সঙ্গীত। সকলো হেৰুৱাই শূন্য হোৱাৰ ৰং ফাগুনৰ। ফাগুনৰ বনজুইয়ে দেহ-মন উতলা কৰে। সেইয়া অভিমানৰ সুৰ এটা কাণত বাজিছে, " অ ফাগুনৰে উতলা বা গুচি যা, গুচি যা....."

ফাগুন অহাৰ লগে লগে আমি গীতৰ প্ৰেমত পৰো। প্ৰেমিক গীতিকাৰে, ফাগুনক উদ্দেশ্য কৰি ক'লে, "মোৰ ফাগুন আছেহি বৈ/তোমাৰ কথাকে ক'বলৈ/আছেনে সময় তোমাৰ/সমীৰৰ খবৰ শুনাৰ......" মৰম আকলুৱা প্ৰেমিক কবিৰ বাবে ফাগুন যেন এটি মিঠা শিহৰণ। মনবোৰ ৰিঙা হৈ পৰে এই বলিয়া ফাগুনত। আমাৰ মৰমৰ আৰু শ্ৰদ্ধাৰ কবি হীৰেন ভট্টাচাৰ্যৰ কবিতা, "ফাগুনৰ গান'--

"শুকান বতাহজাকে/পাতবোৰ উৰুৱাই নিয়ে। ৰাংচালি চৰাই বোৰে গছৰ ডালত পৰি নাচে,/ জুনুকাৰ জুন জুননিত/সাৰ পায় কুঁহিপাতে" কবিৰ মতে, ফাগুনে মায়া জানে, ৰাতিহ'লৈ শুকান ডালে ডালে জোন জ্বলি উঠে। এই ফাগুনতে হিয়া ভাঙি অমাতৰ মাত মাতে করুণ কেতেকীয়ে। কি বিচিত্ৰ এই ফাগুন। আলহী চৰাইয়ে ঘৰ বান্ধে। বহু ৰঙীণ চৰাই খিল-খিল হাঁহিত ফাগুনৰ আকাশ বতাহ মাতাল হৈ পৰে।

আমাৰ শ্ৰদ্ধাৰ কবি, গীতিকাৰৰ নৱকান্ত বৰুৱাৰ কলমত, "ৰঙা মদাৰৰ দুটি পাহি/সৰিল নে উৰি গল, /সেমেকা শিলত গৈ/ৰঙা জিঞা এটা হৈ/বহি ৰ'ল " মদাৰৰ নিজস্বতাই কবিৰ মনত সৃষ্টিৰ সঁফুৰা বিলাই। কোনোবা এচাম চকু- চৰহাই গোন্ধ-ভাপ নোহোৱা মাদাৰ ফুলৰ লগত আমাৰ প্ৰিয়তম সুধাকণ্ঠ ভূপেনদাক ৰিজালে, সেয়েহে গীতেৰে গাই গল--" সঁচা সৰু মানুহ যদি ৰঙা মদাৰ হয়/ মদাৰৰে শিখা যদি হাতে হাতে লয়। তেতিয়াহে সমাজ-আকাশ জ্যোতিৰে ভৰিব/জ্যোতি লাগে এন্ধাৰকে নাশ কৰিবলৈ'।" প্ৰকৃতিৰ প্ৰতিটো উপহাৰত মাধুৰ্য আৰু সৌন্দৰ্যয় আছে । প্ৰকৃতিক বাদ দি মানৱ জীৱন অৰ্থহীন, ৰংহীন পথৰ পথিক হব লাগিব ।

"পলাশৰ ৰং" কথাছবিত ভূপেনদা আৰু লতা মংগেশকাৰে সুমধুৰ গীতৰে পলাশৰ কথাকে ক'লে, "পলাশৰে ৰং কোনোনে সানিলে/এই মিঠা সেউজ বননিত। আৰু তোমাৰ কোমল চাৱনিত,/ জীৱনৰে ৰং পলাশে সানিলে......" হয়, ভূপেনদাই ঠিকেই কৈছে, নীলা আকাশত আজি আউজি লৈ হালিছে জালিছে পলাশেৰে ফুল, এই পলাশ ফুল যেন ফুল নহয়, এয়া মৰমৰ জুই ।

গীতিকাৰ, সুৰকাৰ কাজল শৰ্মাৰ সুন্দৰ গীতে ফাগুনৰ কথাকে কলে, " সৰাপাতে পাতে পাতে ফাগুন নামে/পলাশৰে ৰং ৰাঙলী/বতাহে কাণে কাণে ক'লে নহ'বা উদাস অভিমানী..." গীতিকাৰৰ সুৰতে আমিও কওঁ," ভাল লাগে মোৰ কিয়নো চাই পচোৱা বতাহৰ ধেমালি, ভাল লাগে মোৰ ধূলিৰে উমলি পলাশৰ ৰঙতে ৰাঙলী...


"নাজানোঁ মন দোলে/ফাগুনৰে বা/ফুল ফুলে অ' পলাশ শিমলু/কি ৰং ৰঙে উতলা...." নৱপ্ৰজন্মৰ মুখে মুখে জুবিনৰ সেই মিঠা মিঠা ফাগুনৰ গীতটিয়ে আনন্দ কঢ়িয়াই আনে। ফাগুনে যৌৱনৰ মাদকতা কঢ়িয়াই আনে, সেইদৰে সৰা শিমলুৰ ৰঙে, কমোৱা তুলাই ডেকা -গাভৰুৰ মন মতলীয়া কৰে, চঞ্চলা যৌৱনে ৰঙীন কৰে শিল্পী সমাজক নতুন সৃষ্টিৰ বাবে। ফাগুনৰ পছোৱাই শিহৰণ তোলে মন, মগজু আৰু হৃদয়ত, বসন্ত আহি পদূলিৰ মূৰত, বাৰে বাৰে জোকাই যায় এজাক সপোন ***(বাৰপৃষ্ঠাত চাওক)***

# ৰত্না দত্তৰ 'দ্বিতীয়া' উপন্যাস

-ওৱে জীৱন।" (পৃষ্ঠা,৮৬, উপন্যাস, দ্বিতীয়া) এবাৰ সাউদ বাণিজ্যৰ বাবে ঘৰৰ পৰা ওলাই যাওঁতেই ভিতৰৰ মানুহজনীৰ ভয়ংকৰ চিন্তাই মূৰ্ত ৰূপ পাইছিল তেজীমলাক কৰা অত্যাচাৰৰ মাজেদি। তেজীমলাক অতি যন্ত্ৰণাদায়ক মৃত্যু দি মানুহজনীয়ে শান্তি পাইছিল বহু দিনৰ মূৰত! কিন্তু সেই কাৰ্যই জানো তেওঁৰ মনত প্ৰকৃত শান্তি দিব পাৰিছিল? সেই কাম জানো তেওঁ সম্পূৰ্ণ সচেতন অৱস্থাৰে কৰিছিল? নাই কৰা তেওঁ সচেতন অৱস্থাৰে। এগৰাকী নাৰীয়ে অকণমান গুৰুত্ব পালেই সাগৰ সমান মৰমেৰে পৃথিৱী উপচাই পেলাব পাৰে আৰু গুৰুত্বৰ ঠাইত অৱহেলা পালেই কোনো মুহূৰ্ত্তত ৰণচণ্ডী মূৰ্তিৰে পৃথিৱী ধ্বংস কৰিবও পাৰে -এই কথাৰেই যেন প্ৰমাণ 'দ্বিতীয়া' উপন্যাসৰ নায়িকা তেজীমলাৰ দ্বিতীয় মাক তথা সাউদৰ দ্বিতীয় পত্নী।

উপন্যাসখনত তেজীমলাৰ দ্বিতীয় মাকৰ মনস্তাত্বিক দিশটোক দেখুওৱা হৈছে। কিন্তু এই উপন্যাসখন যেন বৰ্তমান সমাজখনৰ দাপোনস্বৰূপ! বৰ্তমান সমাজত মানুহৰ দ্বাৰা এনে কেতবোৰ অভাৱনীয় ঘটনা সংঘটিত হৈ আছে যে সেই ঘটনাবোৰৰ আঁৰতো নিশ্চয় থাকিব লাগিব একো একোটা বিশেষ কাৰণ! গতিকে এটি এটি পৰিয়ালত এজনে আনজনৰ মনৰ খবৰ ৰখাটো বৰ গুৰুত্বপূৰ্ণ কথা হৈ পৰিছে। প্ৰত্যেক মানুহেই মানুহৰ পৰা সামান্যকৈ হ'লেও গুৰুত্ব বিচাৰে। এই গুৰুত্বই মানুহৰ নিজৰ অস্তিত্বৰ কথা ভাবিবলৈ বাধ্য কৰে। নিজৰ কামবোৰ নিয়াৰিকৈ কৰি যোৱাত যথেষ্ট সহায় কৰে আৰু সমাজৰ উন্নতিৰ বাবেও কৰি যাব পাৰে বহু কাম । পৰিয়ালত পোৱা আদৰ-যত্ন- গুৰুত্বই মানুহক সমাজৰ বিভিন্ন পৰিস্থিতিত সুস্থিৰে-সাহসেৰে মুখামুখি হোৱাতো যথেষ্ট সহায় কৰে । পুনৰবাৰ ক'ব বিচাৰিছোঁ ৰত্না দত্তৰ লোককথা ভিত্তিক 'দ্বিতীয়া' উপন্যাসখন কেৱল তেজীমলাৰ দ্বিতীয় মাকৰ মনস্তাত্বিক দিশটোৰ সূক্ষ্ম বৰ্ণনাই নহয় এইখন বৰ্তমান সমাজৰ দাপোনস্বৰূপ। উপন্যাসখনে পাঠকৰ মনত ন ন চিন্তাৰ উন্মেষ কৰিব বুলি আশা কৰিলোঁ। এই উপন্যাসখনে অসমীয়া সাহিত্যৰ ভড়ালত এক অনন্য আসন গ্ৰহণ কৰিব বুলি দৃঢ়বিশ্বাস ।

# প্লেটোনিক ঘন




**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

আমি ব্যৱহাৰিক জীৱনত বহুতো গোটা বস্তু দেখি থাকো। এই গোটা বস্তু সমুহৰ তিনিটা মাত্ৰা দীঘ, প্ৰস্থ আৰু উচ্চতা আছে। সেয়ে এনে আকৃতিবোৰক ত্ৰি-মাত্ৰিক (3 D) আকৃতি বুলি কোৱা হয়। কিছুমান ত্ৰি-মাত্ৰিক বস্তু বহুভুজীয় তলৰ দ্বাৰা গঠিত আৰু চিধা কাষ থাকে। সেই বোৰক গ্ৰীক শব্দ polyhedron বা বহুফলক বুলি কোৱা হয়। প্ৰিজম আৰু পিৰামিড বহুফলক পৰিয়ালৰ অন্তৰ্গত। Poly শব্দৰ অৰ্থ বহুত আৰু Hedron শব্দৰ অৰ্থ ভূমি। বহুফলক এটাৰ ৩ টা বা ততোধিক চিধা কাষ থাকে আৰু কাষবিলাক এটা বিন্দুত মিলিত হয় যাক শীৰ্ষবিন্দু বুলি কোৱা হয়।

কিন্তু সকলো বিলাক গোটা বস্তু বহুফলক নহয়। উদাহৰণ স্বৰূপে গোলক, চুঙা, শংকু আদিৰ তল বিলাক সমতল নহয়, ভূমি বহুভুজ নহয় আৰু চিধা কাষ নাই। গতিকে ইহঁত বহুফলক নহয়।

বহুফলক বোৰ নিয়মিত আৰু অনিয়মিত আকৃতিৰ হ'ব পাৰে। নিয়মিত বা সুষম বহুফলকৰ তলবিলাক সৰ্বাংগসম বহুভূজ আৰু একে সংখ্যক তলৰ দ্বাৰা শীৰ্ষবিন্দু গঠিত হয়। উদাহৰণ স্বৰূপে ঘনকত তিনিখন সৰ্বসম তলৰ দ্বাৰা শীৰ্ষবিন্দু গঠিত হৈছে। সুষম চতুঃফলক (Tetrahedron)ত চাৰিখন সৰ্বসম তলৰ দ্বাৰা শীৰ্ষবিন্দু গঠিত হৈছে। আকৌ সুষম অষ্টফলক (Octahedron)ত আঠখন সৰ্বসম তলৰ দ্বাৰা শীৰ্ষবিন্দু গঠিত হৈছে।

অনিয়মিত আকৃতিৰ বহুফলক বিলাকৰ তলসমূহ সৰ্বসম নহয়। উদাহৰণ স্বৰূপে আয়তীয় ঘনকৰ আটাইকেইখন তল সৰ্বসম নহয়। তাৰোপৰি ত্ৰিভুজাকৃতি ভূমিৰ পিৰামিড, বৰ্গাকৃতি ভূমিৰ পিৰামিড আদিৰ তল সমুহ সৰ্বসম নহয়।

সুষম আকৃতিৰ ত্ৰি-মাত্ৰিক জ্যামিতিক আৰ্হিৰ অধ্যয়ন গ্ৰীক দাৰ্শনিক প্লেটোৰ এটা প্ৰিয় বিষয় আছিল। গ্ৰীকসকলে বিশ্বব্ৰহ্মাণ্ডৰ পৰিসজ্জাক জ্যামিতিক সুষম আৰ্হিৰে ব্যাখ্যা আগবঢ়াব পাৰিছিল। সেয়ে প্লেটোৱে তেওঁৰ টোলৰ দুৱাৰ মুখত লিখি ৰাখিছিল যে 'যাৰ জ্যামিতি ৰজ্ঞান নাই তেওঁৰ বাবে প্ৰবেশ নিষেধ।'

প্লেটোৱে আৱিস্কাৰ কৰা ত্ৰি-মাত্ৰিক আৰ্হি কেইটা হ'ল ঘনক(cube), সুষম চতুঃফলক (tetrahedron), সুষম অষ্টফলক (Octahedron), সুষম বিংশতিফলক(icosahedron), সুষম দ্বাদশ ফলক (dodecahedron)। প্লেটোৱে দেখুৱাইছিল যে এই কেইবিধ ত্ৰিবিমীয় আৰ্হি কেৱল ত্ৰিভুজ, বৰ্গ আৰু পঞ্চভুজ লগ লাগি নিৰ্মাণ কৰিব পাৰি। এনে সুষম বহুফলকৰ সংখ্যা অসংখ্য নহয় কেৱলমাত্ৰ এই পাঁচটাহে। প্লেটোৱে এই পাঁচটা বহুফলকৰ ওপৰত তেওঁৰ ধাৰণা পোনপ্ৰথমে তেওঁৰ গ্ৰন্থ 'টাইমুৱাচ' (Timaeus) ত সন্নিৱিষ্ট কৰা হৈছিল। তেওঁ বিশ্বাস কৰিছিল যে চতুঃফলক, অষ্টফলক, বিংশতিফলক, ঘনক আৰু দ্বাদশফলকে ক্ৰমে অগ্নি, বায়ু, পানী, পৃথিৱী আৰু বিশ্ব-ব্ৰহ্মাণ্ডক বুজায়।

গণিত আৰু ধৰ্মীয় ৰহস্যবাদত বিশ্বাসী পাইথাগোৰাছৰ অনুগামী সকলেও এই ঘনকেইটাক পৃথিৱীৰ মূল আধাৰ-মৌল আৰু বিশ্ব-ব্ৰহ্মাণ্ডৰ সাজ-সজ্জাৰ প্ৰতিৰূপ আকৃতিৰূপে বিশ্বাস কৰিছিল। যোল্ল শতিকাৰ বিখ্যাত জ্যোতিৰ্বিজ্ঞানী জোহান কেপলাৰে এই পাঁচবিধ ত্ৰিবিমীয় আৰ্হিক প্লেটোনীয় ঘন(Platonic solids) নাম দিছিল।কাগজ কাটি এই পাঁচবিধ ত্ৰিবিমীয় আৰ্হি প্ৰস্তুত কৰিবলৈ চিত্ৰ দিয়া হৈছে। আশাকৰোঁ চেষ্টা কৰি চাবা।

# অকলশৰীয়া হ'ল কণ্ঠশিল্পী কমলিকা



ৰঙিলী বাৰ্তাসেৱা- পিতৃহাৰা হ'ল উদীয়মান কণ্ঠশিল্পী কমলিকা কাশ্যপ। সুকণ্ঠী গায়িকা প্ৰয়াত ভিতালী দাসৰ স্বামী তথা উদীয়মান কণ্ঠশিল্পী কমলিকা কাশ্যপৰ পিতৃ তবলাবাদক ভুপেন দাসে শুক্ৰবাৰে শেষ নিশ্বাস ত্যাগ কৰে। মহানগৰীৰ গাড়ীগাঁওস্থিত বাসভৱনত ভুপেন দাস(৫৫)ৰ অকাল বিয়োগ ঘটে। আত্মীয়ই জানিবলৈ দিয়া অনুসৰি মধুমেহ ৰোগত আক্ৰান্ত ভুপেন দাসে শেহতীয়াকৈ বৃক্কজনিত অসুস্থতাত ভুগিছিল। ইতিমধ্যে প্ৰায় ৬বাৰ ডায়েলাইছিছ কৰা হৈছিল তেওঁৰ। বৃহস্পতিবাৰেও উত্তৰ গুৱাহাটীস্থিত জিএনআৰচিত ভুপেন দাসৰ ডায়েলাইছিছ কৰা হয়। শুক্ৰবাৰে ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰাৰ পাছত চোতালতে তেওঁ ৰ'দ পুঁৱাই আছিল। তাৰ মাজতে ঘৰত কাম কৰা লোকৰ হতুৱাই মাছো কিনিছিল আৰু বিলাহীৰে ৰন্ধা আঞ্জা খোৱাৰ ইচ্ছা ব্যক্ত কৰিছিল তেওঁ। কিন্তু তেনেতে বাথৰুমলৈ যাব বিচাৰে। তেতিয়াই শাৰীৰিক অসুস্থতা অনুভৱ কৰাত ওচৰতে থকা লোকসকলে তেওঁক ধৰি শুৱাই দিয়ে। ইতিমধ্যে চিকিৎসককো খবৰ দিয়া হয়। সেই অনুসৰি চিকিৎসকে কিছুসময় পিছতেই উপস্থিত হৈ স্বাস্থ্য পৰীক্ষা কৰে যদিও ভুপেন দাসৰ শাৰীৰিক অৱস্থাৰ অধিক অৱনতি ঘটে। অৱশেষত দিনৰ প্ৰায় ১২.৪৫ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে বুলি আত্মীয়ই জানিবলৈ দিয়ে। উল্লেখ্য যে জীৱিতকালত বহু জনপ্ৰিয় গীতত কণ্ঠ নিগৰাই শ্ৰোতা-দৰ্শকৰ সমাদৰ বুটলিবলৈ সক্ষম হোৱা পত্নী ভিতালী দাসৰ দৰে সাংস্কৃতিক জগতখনত এজন প্ৰখ্যাত তবলাবাদক হিচাপে প্ৰতিষ্ঠিত আছিল ভুপেন দাস। পত্নীৰ বিয়োগৰ পাছত সংগীতৰ জগতখনত খোজ পেলোৱা কন্যা কমলিকাৰ কাষত তেওঁ ছাঁৰ দৰে আছিল। তেওঁৰ বিয়োগৰ খবৰ লাভ কৰাৰ পাছতে গাড়ীগাঁওস্থিত বাসভৱনত উপস্থিত হয় বহু গুণমুগ্ধ। বিয়লিৰ ভাগত মহানগৰীৰ ভূতনাথ শ্মশানত ভুপেন দাসৰ শেষকৃত্য সম্পন্ন কৰা হয়। মুখাগ্নি কৰে একমাত্ৰ কন্যা কমলিকাই। উল্লেখ্য যে ২০২১ চনত মৃত্যু হৈছিল কমলিকাৰ মাতৃ সুকণ্ঠী গায়িকা ভিতালী দাসৰ। ক'ভিডত আক্ৰান্ত হৈ ভিতালী দাসৰ মৃত্যু ঘটিছিল। মাতৃৰ মৃত্যুৰ ৪ বছৰৰ পাছত পিতৃকো হেৰুৱালে কমলিকাই ।

# বিজেপিৰ অভিধানত প্ৰমোচন

বিজেপিৰ অভিধানত প্ৰমোচন-ডিমোচন বুলি কোনো শব্দ নাই। কাৰ্যকৰ্তাৰ যোগ্যতা আৰু বৰ্তমান পৰিস্থিতি- পৰিৱেশ সাপেক্ষে ৰাষ্ট্ৰীয়- ৰাজ্যিক নেতৃত্বই নিৰ্দিষ্ট এজনক অগ্ৰাধিকাৰ দি আহিছে আৰু এয়া সকলোৰে বাবে সময়োপযোগী সিদ্ধান্ত হয়। উল্লেখ্য যে সভাপতি দিলীপ শইকীয়াই দিনৰ ভাগত মুখ্য কাৰ্যালয়ত উপস্থিত হোৱাৰ পাছতে কেইবাজনো বিধায়ক, জ্যেষ্ঠ নেতা, বিভিন্ন মৰ্চাৰ সভাপতি, সাধাৰণ সম্পাদক, বিভিন্ন জিলা আৰু মণ্ডলৰ সভাপতিকে ধৰি বহু জ্যেষ্ঠ কাৰ্যকৰ্তাই সাক্ষাৎ কৰি শুভকামনা জ্ঞাপন কৰে। সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা দিলীপ শইকীয়াৰ ১৯ জানুৱাৰীৰ পৰা প্ৰৱাহ আৰম্ভ হ'ব। ৰাজ্যিক মুখপাত্ৰ ৰঞ্জিত কুমাৰ শৰ্মাই প্ৰকাশ কৰা অনুসৰি এই প্ৰৱাহৰ অংশ হিচাপে ১৯ জানুৱাৰীৰ পুৱা ১১ বজাত বৰপেটা জিলাৰ বৰপেটাৰোডস্থিত ১৪৩নং বুথত উপস্থিত থাকি জনপ্ৰিয় ৰেডিঅ' অনুষ্ঠান মন কী বাত শ্ৰৱণ কৰিব। ইয়াৰ পিছতে বৰপেটা জিলাই আয়োজন কৰা সংবিধান গৌৰৱ দিৱসৰ এক বিশেষ কাৰ্যসূচীত মুখ্য অতিথিৰূপে উপস্থিত থাকিব ৰাজ্যিক সভাপতিগৰাকী। আনহাতে উক্ত দিনাই আবেলি ৪.৩০ বজাত নলবাৰী জিলাৰ আখৰা চ'কত আয়োজিত সভা মহোৎসৱত অংশগ্ৰহণ কৰিব। ইয়াৰ পিছতে কমলপুৰ সমষ্টিৰ গোৰেশ্বৰত আয়োজিত এক প্ৰীতিভোজত দিলীপ শইকীয়াই অংশগ্ৰহণ কৰিব।

# অসমৰ আৰক্ষী সঞ্চালক প্ৰধান জি

আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই অৱসৰ গ্ৰহণ কৰাৰ পিছত ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধানৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিল জি পি সিঙে। ১৯৯১ চনৰ অসম-মেঘালয় কেডাৰৰ আই পি এছ বিষয়া জি পি সিঙে অসম আৰক্ষীত দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াই আহিছে। উত্তৰ-পূব অঞ্চলৰ জটিল পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰো অভিজ্ঞতা আছে জি পি সিঙৰ। অসমৰ আৰক্ষীৰ সঞ্চালক প্ৰধানৰ দায়িত্বৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতে এই নতুন দায়িত্ব গ্ৰহণ কৰিব জি পি সিঙে। CRPF হৈছে ভাৰতৰ সৰ্ববৃহৎ অৰ্ধসামৰিক বাহিনী। এই বাহিনীয়ে দেশৰ আভ্যন্তৰীণ নিৰাপত্তা বজাই ৰখাৰ লগতে বিদ্ৰোহৰ বিৰুদ্ধে যুঁজ দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই দৃষ্টিকোণৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য প্ৰান্তত বিদ্ৰোহ আৰু আইন-শৃংখলাৰ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাৰ বহু অভিজ্ঞতা আছে জি পি সিঙৰ গতিকে কৌশলগত পদক্ষেপৰ অংশ হিচাপে জি পি সিঙক CRPF ৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া বুলি ধাৰণা কৰিব পাৰি। যোৱা ৬ জানুৱাৰীত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ব্যক্তিগত বিভাগৰ কেবিনেট নিযুক্তি সমিতিলৈ CRPF ৰ সঞ্চালক প্ৰধান হিচাপে জি পি সিঙক নিযুক্তিৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰিছিল। সেইমৰ্মে কেবিনেটৰ নিযুক্তি সমিতিয়ে গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ প্ৰস্তাৱত অনুমোদন জনাই জি পি সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (চিআৰপিএফ)ৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়ে। উল্লেখ্য যে ২০২৭ বৰ্ষৰ ৩০ নৱেম্বৰলৈকে চাকৰিকাল আছে সুদক্ষ আৰু মেধা আইপিএছ বিষয়া বুলি নাম থকা জি পি সিঙৰ। ১৮ জানুৱাৰীত কেন্দ্ৰীয় ব্যক্তিগত বিভাগৰ কেবিনেট নিযুক্তি সমিতিৰ সচিব সাক্ষী মিট্টালে জাৰি কৰা জাননীখনত কোৱা হৈছে, "কেবিনেটৰ নিযুক্তি সমিতিয়ে গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ প্ৰস্তাৱত শ্ৰী জি পি সিং, আই পি এছ (এ এম:১৯৯১)ক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ (চি আৰ পি এফ) সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়াৰ প্ৰস্তাৱ দৰমহা মেট্ৰিক্সৰ স্তৰ-১৬ত অনুমোদন জনাইছে।" চি আৰ পি এফৰ বিশেষ সঞ্চালক প্ৰধানৰ দায়িত্বত থকা ভিতুল কুমাৰৰ পৰা দায়িত্ব গ্ৰহণ কৰিব জি পি সিঙে।

# আৰ জি কৰ কাণ্ডৰ মূল

পশ্চিমবংগৰ শিয়ালদহ আদালতত অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ অনিৰ্বাণ দাসৰ বিচাৰপীঠে উক্ত গোচৰৰ মূল অভিযুক্ত সঞ্জয় ৰয়ক দোষী সাব্যস্ত কৰে। উল্লেখ্য যে ২০২৪ চনৰ ৯ আগষ্টত আৰ জি কৰ মেডিকেল কলেজ-হাস্পতালত কৰ্মৰত ৩১ বছৰীয়া প্ৰশিক্ষাৰ্থী মহিলা চিকিৎসক এগৰাকীক ধৰ্ষণ কৰি নৃশংসভাৱে হত্যা কৰাৰ ঘটনাত দেশজুৰি তীব্ৰ প্ৰতিবাদৰ জোৱাৰ উঠে। এই ঘটনাত আৰক্ষীয়ে সঞ্জয় ৰয়ক মূল অভিযুক্ত হিচাপে ১০ আগষ্টত গ্ৰেপ্তাৰ কৰে। অভিযুক্ত সঞ্জয় ৰয়ক ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ৬৪, ৬৬ আৰু ১০৩(১)ৰ অধীনত দোষী সাব্যস্ত কৰে আদালতে। ২০ জানুৱাৰীত দোষী সঞ্জয় ৰয়ৰ শাস্তি ঘোষণা কৰা হ'ব। ধৰ্ষণ-হত্যাকাৰী সঞ্জয় ৰয়ক আদালতে দোষী সাব্যস্ত ঘোষণা কৰাৰ পিছতে তৰুণী চিকিৎসকৰ পিতৃয়ে কান্দোনত ভাগি পৰে। আদালতত উপস্থিত থকা পিতৃয়ে এই ৰায়ৰ বাবে ন্যায়াধীশক ধন্যবাদ জ্ঞাপন কৰে। দুমাহ ধৰি চলা শুনানি বিগত বৰ্ষৰ নৱেম্বৰ মাহত আৰম্ভ হয় আৰু ১৮ জানুৱাৰীত এই ধৰ্ষণ আৰু হত্যাৰ গোচৰৰ ৰায়দান দিয়ে। উল্লেখ্য যে আৰ জি কৰ মেডিকেল কলেজ আৰু হাস্পতালৰ ছেমিনাৰ কক্ষৰ ভিতৰত ৩১ বছৰীয়া তৰুণী চিকিৎসকৰ মৃতদেহ উদ্ধাৰ হৈছিল।

# দুৰ্বৃত্তৰ ছুৰিকাঘাতত

গুৰুতৰভাৱে আহত হয়। আহত খান সম্প্ৰতি লীলাৱতী চিকিৎসালয়ত বিপদমুক্ত হৈ চিকিৎসাধীন হৈ আছে। মুম্বাই আৰক্ষীয়ে ইতিমধ্যে চিচি টিভি কেমেৰাৰ ফুটেজৰ জৰিয়তে দুই আক্ৰমণকাৰীৰ এটাক চিনাক্ত কৰিবলৈ সক্ষম হৈছে। চিচি টিভিৰ ফুটেজৰ মতে, আক্ৰমণকাৰী দুৰ্বৃত্তই খানৰ অট্টালিকাৰ লগত সংলগ্ন অট্টালিকাৰ পৰা জঁপিয়াই বাসভৱনত প্ৰৱেশ কৰে। ইয়াৰ পাছত বাসভৱনৰ খটখটিৰে ওপৰলৈ উঠি যায়। ইয়াৰ পাছতে অঘটনটো ঘটে। দুৰ্বৃত্ত দুটাই চুৰি কৰিবলৈ বাসভৱনত প্ৰৱেশ কৰাৰ সন্দেহ কৰা হৈছে। চুৰি কৰাৰ পূৰ্বেই দুৰ্বৃত্ত দুটাৰ লিগিৰীৰ সৈতে সংঘাত হয় আৰু লিগিৰীক বচাবলৈ আক্ৰমণৰ বলি হয় অভিনেতা খান। ইপিনে বাসভৱনতে খানক দুৰ্বৃত্তই আক্ৰমণ কৰা ঘটনাৰ তদন্ত কৰিবলৈ মুম্বাই আৰক্ষীয়ে ১০টা দল গঠন কৰিছে। মুম্বাই আৰক্ষীয়ে প্ৰকাশ কৰা মতে, দুৰ্বৃত্তই অভিনেতা খানক আক্ৰমণ কৰাৰ সময়ত তেওঁৰ পত্নী অভিনেত্ৰী কৰিণা খানো বাসভৱনত উপস্থিত আছিল। আনপিনে আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত লীনা নামৰ লিগিৰীগৰাকীৰ ভাষ্য লিপিবদ্ধ কৰিছে। এই ঘটনাত লীনায়ো হাতত আঘাত পাইছে। লীনাই আৰক্ষীৰ আগত প্ৰকাশ কৰা মতে, তেওঁ খানৰ পুত্ৰ জাহাংগীৰৰ কোঠাত শুই আছিল। তেনেতে শিশুটিৰ কোঠাত আক্ৰমণকাৰীয়ে প্ৰৱেশ কৰিবলৈ চেষ্টা কৰে। এনে সময়তে লীনাই দুৰ্বৃত্তক বাধা প্ৰদান কৰে। ইপিনে বাসভৱনত ফৰেনছিক বিশেষজ্ঞৰ দল উপস্থিত হৈ তথ্য সংগ্ৰহ কৰিছে।

# ৰাষ্ট্ৰীয় পথ-সুৰক্ষা মাহ

কামৰূপ মহানগৰ জিলা নেহেৰু যুৱ কেন্দ্ৰৰ জিলা যুৱ বিষয়া চয়ণ শুক্ল বৈদ্যই। কুইজ প্ৰতিযোগিতা পৰিচালনা কৰে কুইজ মাষ্টাৰ নৱকান্ত বৈশ্যই। শনিবাৰে ৰাতিপুৱা ১১বজাত কামৰূপ মহানগৰ জিলা নেহেৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু কামৰূপ মহানগৰ পৰিবহণ বিভাগ আৰু জিলা পথ সুৰক্ষা সমিতিৰ সহযোগত পথ-সুৰক্ষা সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰী তথা যুৱ-প্ৰজন্মৰ মাজত পথ-সুৰক্ষা সজাগতাক অভ্যাসত পৰিণত কৰি সমাজৰ সৰ্বস্তৰতে ব্যাপক জনসচেতনতা গঢ়ি তোলাৰ লক্ষ্যৰে এই অনুষ্ঠানৰ আয়োজনৰ কথা উল্লেখ কৰে নেহেৰু যুৱ কেন্দ্ৰৰ জিলা যুৱ বিষয়া চয়ণ শুক্ল বৈদ্যই সমগ্ৰ দেশৰ লগতে অসমতো ১৮ৰ পৰা ৪৫বছৰ বয়সৰ অধিক লোকেই পথ দুৰ্ঘটনাত নিহত হোৱাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰীয় পথ-সুৰক্ষা মাহৰ সময়চোৱাত দ্ৰুতবেগ পৰিহাৰ কৰি সুৰক্ষিত গতিত বাহন চলোৱাকে ধৰি গুৰুত্বপূৰ্ণ দিশসমূহৰ সজাগতাত অধিক প্ৰাধান্য দিয়াৰ লগতে এইসকল লোকক পথ-সুৰক্ষাৰ একো একোজন যোদ্ধা হিচাপে গঢ়ি তোলাৰ উল্লেখ্য যে কাইলৈ অনুষ্ঠিত হ'বলগীয়া সজাগতা অনুষ্ঠানত পথ-সুৰক্ষা বিষয়ক বাটৰ নাট, মূকাভিনয় আদি অনুষ্ঠিত হোৱাৰ লগতে মহানগৰীৰ আৰ্য বিদ্যাপীঠত মহাবিদ্যালয়ত অনুষ্ঠিত বিশেষ সজাগতা সভাত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

# ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ নতুন সভাপতি দিলীপ শইকীয়াক উষ্ম অভিনন্দন জ্ঞাপন কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ



ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ নতুন সভাপতি হিচাপে গুৱাহাটীৰ মুখ্য কাৰ্যালয়ত দায়িত্বভাৰ গ্ৰহণ কৰা সাংসদ দিলীপ শইকীয়াক কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। সোণোৱালে কয়, “দীৰ্ঘদিনীয়া অভিজ্ঞতা, সমৰ্পিত সেৱা আৰু সাংগঠনিক দক্ষতাৰে তেওঁ ভাৰতীয় জনতা পাৰ্টিক শক্তিশালী কৰাত উল্লেখযোগ্য অৰিহণা যোগাইছে। ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ শ্ৰী জে পি নড্ডা ডাঙৰীয়াৰ পথ প্ৰদৰ্শনমৰ্মে শ্ৰী দিলীপ শইকীয়াই অসমত সৰ্বজনপ্ৰিয় আমাৰ দলটোক এক নতুন শিখৰত উপনীত কৰোৱাব বুলি আমি দৃঢ় বিশ্বাসী। নতুন কাৰ্যকালৰ সফলতা কামনাৰে তেখেতলৈ মোৰ তৰফৰ পৰা যাচিছোঁ অলেখ শুভকামনা।” সোণোৱালে লগতে কয়, “আজি শিল্পী দিৱস। এইছেগতে মই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। ৰূপান্তৰৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ বিশাল শিল্পীসত্তা, অপূৰ্ব সৃষ্টিসম্ভাৰে অসমীয়া জাতিক ভাষা-কৃষ্টি, সংস্কৃতিৰ দিশেৰে সমৃদ্ধ কৰি থৈ গৈছে। দেশৰ স্বাধীনতা সংগ্ৰামতো জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ অৱদান অপৰিসীম। বহু কালজয়ী নাট, গীত, কবিতাৰ লগতে অসমীয়া চলচ্চিত্ৰৰ সোণসেৰীয়া যাত্ৰাৰ সূচনাৰে তেখেতে আমাৰ কলা-সংস্কৃতিৰ জগতত এক নৱজাগৰণৰ সৃষ্টি কৰিছিল, যাৰ সুধাপানেৰে আমি ধন্য হৈছোঁ।” সোণোৱালে ভাষণ প্ৰসংগত কয়, “জনসংঘ গঠন হোৱাৰ দিনৰ পৰা আজিৰ ভাৰতীয় জনতা পাৰ্টিৰ সংগঠিত ৰূপটো পোৱালৈ, দলটোৱে ৰাজনীতিৰ পথাৰত এক দীৰ্ঘদিনীয়া সময় অতিক্ৰম কৰিছে। এই সময়ছোৱাত যিসকল ব্যক্তিয়ে দলটোৰ বাবে প্ৰাণাহুতি দিলে, মই তেওঁলোকক গভীৰ শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। আমি প্ৰত্যেকেই ভাৰতীয় জনতা পাৰ্টিৰ একো-একোজন কাৰ্যকৰ্তা। আমি উপলব্ধি কৰোঁ যে বৰাক-ব্ৰহ্মপুত্ৰ পাহাৰ-ভৈয়ামত বসবাস কৰা বৃহত্তৰ অসমীয়া জাতিটোৰ সেৱাৰ্থে সকলোৱে সংকল্পবদ্ধ হৈছোঁ। দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্ব আৰু আমাৰ সকলোৰে সন্মিলিত প্ৰচেষ্টাত আজি অসমে প্ৰাণ পাই উঠিছে। জনকল্যাণমূলক আঁচনিসমূহ সঠিক সময়ত ৰূপায়ণ কৰাৰ বাবে দেশৰ কোটি কোটি জনতা উপকৃত হৈছে। যুৱক-যুৱতী, বৃদ্ধ, মহিলা আৰু শিশুসকলৰ সমান্তৰাল বিকাশ সম্ভৱ হৈ উঠিছে। অসম প্ৰদেশ বিজেপিৰ নৱনিৰ্বাচিত সভাপতি দিলীপ শইকীয়াদেৱৰ নেতৃত্বত আমি আগন্তুক সকলো নিৰ্বাচনত জয়যুক্ত হ'বলৈ যুঁজ দিব লাগিব। দলৰ মাজত আন্তৰিকতা, শ্ৰদ্ধা-ভক্তি, মৰম-চেনেহ যিমান বাঢ়িব, সিমানেই দল শক্তিশালী হ'ব। মই বিদায়ী সভাপতি ভবেশ কলিতা ডাঙৰীয়াকো আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁৰ নেতৃত্বত দলে বিভিন্ন কাৰ্যসূচী হাতত লৈ সফলভাৱে ৰূপায়ণ কৰিবলৈ সক্ষম হ'ল। লগতে মই নৱনিৰ্বাচিত সভাপতি দিলীপ শইকীয়া ডাঙৰীয়াক প্ৰতিশ্ৰুতি দিলোঁ যে শতকৰা এশ শতাংশ সহযোগিতাৰে আমি দলৰ প্ৰতি সমৰ্পিত ভাৱনাৰে কাম কৰি যাম।”

## আয়াৰলেণ্ডৰ বিৰুদ্ধে

বলত শতক অৰ্জন কৰিছিল হৰমনপ্ৰীত কৌৰে। কিন্তু কৌৰক অতিক্ৰম কৰি ৭০টা বলত শতক অৰ্জন কৰি স্মৃতিয়ে অভিলেখ ৰচে। মান্ধানাই ১৩৫ ৰানৰ দুৰ্দান্ত ইনিংছ দলক উপহাৰ দিয়ে। ইফালে, অন্তিম খেলখনত মান্ধানাৰ লগতে আনগৰাকী অ'পেনাৰ প্ৰতিকায়ো সুন্দৰ প্ৰদৰ্শনেৰে ১৫৪ ৰান সংগ্ৰহ কৰে। দুয়োৱে মাজত প্ৰথম উইকেটত ২৩৩ ৰান সংগ্ৰহ হয়। এয়া হৈছে প্ৰথম উইকেটৰ যুটিত ভাৰতীয় মহিলাৰ সৰ্বাধিক ৰান। আনহাতে, ৰিচা ঘোষে ৫৯ ৰানৰ অৰিহণা আগবঢ়ায়। ইপিনে, শতক অৰ্জন কৰাৰ লগে লগে কেইবাটাও অভিলেখৰ গৰাকী হ'ল মান্ধানা। ৭০টা বলত শতক অৰ্জন কৰি এদিনীয়া ক্ৰিকেটত দ্ৰুততম শতক অৰ্জনকাৰী ভাৰতীয় মহিলা খেলুৱৈত পৰিণত হোৱাৰ লগতে এদিনীয়া ক্ৰিকেটত ৫০০টা চাৰি কোবোৱা খেলুৱৈৰ তালিকাতো অন্তৰ্ভুক্ত হয় মান্ধানা। এই তালিকাত শীৰ্ষত আছে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক মিতালী ৰাজ। তদুপৰি, আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ১০টা শতক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হৈ পৰে মান্ধানা। আনহাতে, এদিনীয়াত সৰ্বাধিক ছিক্সাৰ কোবোৱা ভাৰতীয় খেলুৱৈৰ তালিকাত হৰমনপ্ৰীত কৌৰৰ সৈতে শীৰ্ষত অৱস্থান কৰিছে স্মৃতিয়ে। দুয়ো এতিয়ালৈকে আন্তঃৰাষ্ট্ৰীয় এদিনীয়াত ৫২টাকৈ ছিক্স কোবাইছে। ৪৩৬ ৰানৰ জয়ৰ লক্ষ্যৰে বেটিং কৰিবলৈ আহি বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈ আয়াৰলেণ্ডে ৩১.৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৩১ ৰানহে কৰিবলৈ সক্ষম হয়। অ'পেনাৰ ছাৰাহ ফ'ৰবেছে সৰ্বাধিক ৪১ ৰান কৰে। ভাৰতীয় দলটোৰ হৈ দীপ্তি শৰ্মাই সৰ্বাধিক ৩টা উইকেট লাভ কৰাৰ লগতে তনুজা কানৱাৰে ২টা, টিটাছ সাধু, ছায়ালী সংঘৰে আৰু মিন্নু মণিয়ে ১টাকৈ উইকেট লাভ কৰে। উল্লেখ্য যে তিনিখনীয়া এদিনীয়া মেচৰ শৃংখলাটো ৩-০ ব্যৱধানত দখল কৰে ঘৰুৱা দল ভাৰতে। মেচখনৰ লগতে শৃংখলাটোৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয় প্ৰতিকা ৰাৱাল।

## ডুবাইত উদ্যোগ মন্ত্ৰী

দ্বিতীয় সংস্কৰণ। এই দ্বিতীয় সংস্কৰণৰ নাম দিয়া হৈছে এডভান্টেজ অসম ২.০ ইনভেচমেণ্ট এণ্ড ইনফাষ্ট্ৰাকচাৰ চাবমিট ২০২৫ (Advantage Assam 2.0)। দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণত বিশ্বৰ প্ৰায় দুকুৰি দেশৰ প্ৰতিনিধি, উদ্যোগী, বাণিজ্যিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। কেইবাখনো দেশৰ প্ৰধান, মন্ত্ৰী, ৰাষ্ট্ৰদূত, উচ্চায়ুক্তই অংশগ্ৰহণ কৰিবলগীয়া এডভান্টেজ আছাম ২.০ৰ বাবে এতিয়া গুৱাহাটী মহানগৰীক ন-কৈ সজাই-পৰাই তোলা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজে এডভান্টেজ আছাম ২.০ৰ সকলো প্ৰস্তুতিৰ বুজ লৈ আছে আৰু প্ৰতিটো অগ্ৰগতিৰ খতিয়ান প্ৰতিমুহূৰ্তত লৈ আছে। এই সন্মিলনতে অসমৰ চাহ বাগিচাৰ বহু যুৱক-যুৱতীয়ে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰিব। ৮০০ খন চাহ বাগিচাৰ মুঠ ৭৫০০ নাচনী, কলা-কুশলীয়ে এই কাৰ্যসূচীত অংশ গ্ৰহণ কৰিব য'ত দেশ বিদেশৰ বহু বিনিয়োগকাৰী উপস্থিত থাকিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চুবুৰীয়া ভুটান চাৰিদিনীয়া কৈ ভ্ৰমণ কৰি এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ ৰোডশ্ব' আৰু অতিথি নিমন্ত্ৰণ পৰ্ব আৰম্ভ কৰিছিল।

## ডিব্ৰুগড় কেঞ্চাৰ

স্বপ্না ৰয়, প্ৰতিমা ৰয়, মিতালী দেউৰী, প্ৰিয়ম কাশ্যপ, ভাগ্যশ্ৰী গগৈ, ৰুনজুন চেতিয়া, চানভী কোঁৱৰ আদি সেৱিকাসকলৰ সহযোগত সেৱাকাৰ্য সম্পন্ন কৰা হয়। বিশাল ভৱনৰ প্ৰত্যেক মহলাৰ বিভিন্ন ৱাৰ্ড আৰু বহিঃবিভাগৰো ৰোগীসকলজ্ঞ মাজতো ফলাহাৰ বিতৰণ কৰা হয়। তেওঁলোকে সেৱাকাৰ্যৰ আগেয়ে ৰোগীসকলৰ আশু আৰোগ্য কামনাৰে এক মৌন প্ৰাৰ্থনাও অনুষ্ঠিত কৰে। এই কাৰ্যত আমন্ত্ৰিত অতিথি হিচাপে সহযোগিতা আগবঢ়ায় বিশিষ্ট লেখিকা, সমাজ সেৱিকা ড° ভাৰতী দত্তই। ৰাষ্ট্ৰ সেৱিকা সমিতি, ডিব্ৰুগড় শাখাই নীৰৱে সমাজ কল্যাণমূলক কামত সুদীৰ্ঘকাল আত্মনিয়োগ কৰি আহিছে। উল্লেখযোগ্য যে কেঞ্চাৰ চেণ্টাৰৰ বিষয়ববীয়া- অভিজিৎ ভট্টাচাৰ্য, বিকাশ তালুকদাৰ, ভাস্কৰজ্যোতি গগৈ, ইমদাদুৰ ৰহমান, ইন্দিৰা পুন আৰু সোমালী বৰঠাকুৰে সেৱিকা কৰ্মকৰ্তা সকলৰ প্ৰতি সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। তেওঁলোকৰ প্ৰতি অনুষ্ঠানটিয়ে কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে নিউট্ৰিচিয়ান ৰিয়া গগৈৰ প্ৰতিও সেৱিকা সমিতি, ডিব্ৰুগড় শাখাই ধন্যবাদ জ্ঞাপন কৰে।

## ‘জনসেৱা সঁচা মানুহ

নিগমৰ বিভিন্ন দিশ বিশদভাৱে ব্যক্ত কৰে। সভাত ১১ নং ৱাৰ্ডৰ পাৰিষদ মঞ্জুলা দেৱী, ১৫ নং ৱাৰ্ডৰ পাৰিষদ সৌৰভ ঝুনঝুনৱালা, ২০ নং ৱাৰ্ডৰ পাৰিষদ গৌৰ গোপাল মন্দল, ২৩ নং ৱাৰ্ডৰ পাৰিষদ মঞ্জিতা দৈমাৰীয়ে ভাষণ দিয়ে। সভাত 'জনসেৱা'ৰ সভাপতি কুমুদ শৰ্মা, সদস্য নৱপ্ৰসাদ শৰ্মা, নৱজাগৰণ সংঘৰ সভাপতি সঞ্জীৱ দেৱ চৌধুৰী, সম্পাদক প্ৰদীপ কলিতা আদি কৰি কেবাজনো বিশিষ্ট ব্যক্তিয়ে অঞ্চল সমূহৰ সমস্যা সমাধান কৰাৰ বাবে মেয়ৰৰ লগতে পাৰিষদসকলক আহ্বান জনায়। শলাগৰ শৰাই আগবঢ়াই সদস্য জ্যোতিষ ঠাকুৰীয়াই।

## বিচিচিআইৰ নতুন সচিব

সভাপতি ৰ'জাৰ বিন্নীয়ে দেৱজিৎ লন শইকীয়াক বি চি চি আইৰ অন্তৰ্বৰ্তী সচিবৰূপে নিযুক্ত কৰিছিল। বি চি চি আইৰ ভাৰপ্ৰাপ্ত সচিবৰ দায়িত্ব গ্ৰহণৰ পূৰ্বে তেওঁ বি চি চি আইৰ যুটীয়া সচিবৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। জয় শ্বাহে আই চি চিৰ অধ্যক্ষৰ দায়িত্ব ১ ডিচেম্বৰত গ্ৰহণ কৰাৰ পাছত তেওঁ পূৰ্বতে অধিষ্ঠিত হৈ থকা বি চি চি আইৰ সচিব পদটো খালী হৈছিল। সেয়েহে বি চি চি আইৰ সভাপতি ৰ'জাৰ বিন্নীয়ে এই পদৰ ভাৰপ্ৰাপ্ত দায়িত্ব অসমৰ দেৱজিৎ লন শইকীয়াৰ হাতত অৰ্পণ কৰিছিল। প্ৰথম শ্ৰেণীৰ ক্ৰিকেট খেলুৱৈ দেৱজিৎ লন শইকীয়াক ইতিমধ্যে আই চি চিৰ ব'ৰ্ড অৱ ডাৰেক্টৰ্ছৰ ভাৰতৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰা হৈছে। এনে দায়িত্ব পোৱা তেওঁ হৈছে প্ৰথম অসমীয়া। এগৰাকী প্ৰতিষ্ঠিত অধিবক্তা দেৱজিৎ লন শইকীয়াই অসম ক্ৰিকেট সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব লৈ অসম ক্ৰিকেট উত্তৰণৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰিছিল। প্ৰাক্তন ৰঞ্জি ক্ৰিকেটাৰ দেৱজিৎ লন শইকীয়া গুৱাহাটী ক্ৰীড়া সন্থা আৰু গুৱাহাটী টাউন ক্লাৱৰো সম্পাদকৰ দায়িত্বত আছে।

ENGLISH NEWS SECTION

## Assam Governor administers oath to APSC Chairman and APSC members



Guwahati, RB News- Assam Governor Shri Lakshman Prasad Acharya administered the oath of office to Deboraj Upadhyay, IPS(retd.) as the Chairman of Assam Public Service Commission and Bhaskar Phukan, IAS and Mrigesh Narayan Barua, ACS as members of APSC at a programme held at the Conference Hall in Raj Bhavan here.Earlier, the Chief Secretary to the Govt. of Assam Dr.Ravi Kota sought the permission of the Governor to start the proceedings of the ceremony.Members of the APSC, Principal Secretary Election Department Anurag Goel, Commissioner and Secretary Personnel M.S.Manivannan, Commissioner and Secretary to the Governor S.S. Meenakshi Sundaram, and several senior government officers were also present on the occasion.

## India announce squad for Champions Trophy 2025





RB News- India have announced their squad for Champions Trophy 2025. The team will be led by Rohit Sharma, while Shubman Gill has been named the vice-captain. KL Rahul and Rishabh Pant are the two wicketkeeper-batters included in the squad. All-rounder Washington Sundar and fast bowler Mohammad Shami have also been included in the squad.

## India men's & women's teams reach finals of inaugural Kho Kho WC



RB News-India men's and women's teams reached finals of the inaugural edition of the Kho Kho World Cup 2025 in New Delhi. India men's team defeated the South African team 62-42 in the semi-finals of the tournament. India women's team secured victory over South Africa 66-16 in semi-finals of World Cup. India men's team will face Nepal in finals on Sunday.

## Satwiksairaj-Chirag advance to India Open semifinals



RB News- India's top ranked men's doubles pair of Satwiksairaj Rankireddy and Chirag Shetty on January 17 advanced in the semifinals of Super 750 badminton tournament. The ace Indian duo went past the Korean pair of Jin Yong and Kang Min Hyuk in just 41 minutes, 21-10, 21-17. However, PV Sindhu bowed out of the tournament, losing 9-21, 21-19, 17-21.

## Manu Bhaker, Gukesh D, Harmanpreet Singh, Praveen Kumar receive Khel Ratna award



RB News- Double Olympic medallist Manu Bhaker, world chess champion Gukesh D, Indian men's hockey team captain Harmanpreet Singh and Paralympic gold medallist Praveen Kumar received their Major Dhyan Chand Khel Ratna Awards on Friday. President Droupadi Murmu conferred the award in a ceremony at Rashtrapati Bhavan. As many as 32 athletes were honoured with Arjuna Award during the ceremony.

## BCCI unveils 10-point disciplinary guidelines for India players



RB News- The BCCI has unveiled a 10-point policy for Team India players to promote "discipline and unity". The BCCI has made domestic cricket mandatory, imposed restriction on the presence of families and personal staff on tours and banned individual commercial endorsements during series. Non-compliance would invite sanctions, including cuts in the players' retainer fee from central contracts.

## Justice Arun Mishra appointed Ombudsman and Ethics Officer of BCCI



RB News- Justice Arun Mishra has been appointed Ombudsman and Ethics Officer of the Board of Control for Cricket in India (BCCI). Justice Arun Mishra served as Chief Justice of Rajasthan High Court and Calcutta High Court before being elevated to the Supreme Court on July 7, 2014. He retired from the Supreme Court in September 2020.

## Bangladesh assistant coach resigns ahead of Champions Trophy



RB News- Bangladesh assistant coach Nic Pothas resigned from his post on January 16 (Thursday), a month ahead of the ICC Champions Trophy 2025, citing family reasons. The South African had taken charge of the team in 2023. "Yes, his contract ran until 2026, but he resigned due to family reasons," BCB cricket operations in-charge Shahriar Nafees told.

## Haaland signs new Man City deal until 2034




RB News- Manchester City forward Erling Haaland has signed a new 10-year contract, keeping him at the club until the summer of 2034. It's the longest contract signed by a player in Premier League history. The previous record was held by Cole Palmer, who signed a nine-year deal with Chelsea last August. Haaland has scored 111 goals for Manchester City so far.

# সৰাপাতে পাতে পাতে ফাগুন নামে

যেন বৰষুণে, শুকান পথাৰত গোপনে লুকাই থকা বীজ সম্ভাৰে চকু মেলে প্ৰচুৰ সম্ভৱনা লৈ, ধূলিৰে উপচি থকা বাটটোৰ নতুন ৰূপত বাটৰুৱা স্বস্তিৰ নিশাহ এৰে । ফাগুন মাহৰ প্ৰথম বুধ বাৰে মিচিং সকলে "আলি আই লৃগাং" উৎসৱ আড়ৰম্বৰপূৰ্ণ ভাৱে আয়োজন কৰে, এই উৎসৱ কৃষিভিত্তিক উৎসৱ। 'আলি' মানে মূল বা আলু, 'আয়ে' ৰ অৰ্থ ফল বা গুটি, 'লৃগাং' অৰ্থ সিঁচা । এই উৎসৱত মিচিং ডেকা গাভৰুৱে লৃগাং বা গুমৰাগ নৃত্য কৰে । এই নৃত্যৰ লগত ঢোল,পেঁপা, গগনা, বৰকাঁহ, তাল আদি বাদ্য বজোৱা হয় । লোকবিশ্বাস মতে, এই নৃত্য গীতত বৰুণ দেৱতা সন্তুষ্ট হৈ গাজনি ঢেৰেকণিয়ে ধৰিত্ৰী লৈ বৰষুণ নমাই শস্য সম্ভৱা কৰি তোলে। ভূমিৰ উৰ্বৰতা বৃদ্ধিৰ বাবে এই উৎসৱ উদ্‌যাপন কৰা হয় যদিও ভিন্ন জাতি, ধৰ্ম, বৰ্ণ লোকে এই উৎসৱত অংশগ্ৰহণ কৰাত বৃহত্তৰ অসমীয়া সমাজত শান্তি, সম্প্ৰতিৰ ভাৱ অটুট ৰখাত সহায় কৰি আহিছে ।

এই ফাগুনতে হাঁহি, ধেমালি, আধ্যাত্মিক সুৰ আৰু ৰঙৰ উৎসৱ ফাকুৱা। ৰঙা, নীলা, হালধীয়া, গুলপীয়া ৰংবোৰে মনত আনন্দৰ জোৱাৰ তোলে, ফাগুন মাহৰ পৱিত্ৰ পূৰ্ণিমাত এই ফাকুৱা উৎসৱ/দৌল যাত্ৰা উদ্‌যাপন কৰা হয় । আয়তী সকলে সমবেত হৈ গাই, " সখী কি কৰিমে যাওঁ বৃন্দাবনে/যমুনাৰ তীৰে ফাগু খেলিম কৃষ্ণ সংগে/ফাগু খেলে ফাগু খেলে চৈতান বনমালী/ দুই হাতে ফাগু লৈয়া খেলিছে মুৰাৰি।।" এই সুন্দৰ উৎসৱে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজলৈ মৰম, চেনেহ, সদ্ভাৱ, সম্প্ৰীতি, ভ্ৰাতৃত ভাৱ কঢ়িয়াই আনি এখন আৰ্দশ সমাজ গঢ়ি তোলাত সহায় কৰি আহিছে।

দুৰ্ভাগ্যৰ বিষয় এই যে ধূলিৰ ধোঁৱাত যেন ফাগুনৰ আচল সৌন্দৰ্যয় আমি উপভোগ কৰিব পৰা নাই, চাৰিওফালে হত্যা, লুণ্ঠন, দুনীতি, কু-নীতিয়ে আমাৰ মানৱতাক গ্ৰাস কৰিব ধৰিছে। ঋতুৰ সৌন্দৰ্য বস্তুবাদৰ আগ্ৰাসন উচুপি উঠিছে । মদাৰ, পলাশ, শিমলুৰ দাম নাইবুলি বহুতে কাটি পেলাইছে। ওখ শিমলু দেখাটো যেন সৌভাগ্যৰ কথা হে হল । দাম নাথাকিলেও প্ৰকৃতিৰ প্ৰতিটো উপহাৰ অমূল্য সম্পদ। সাৰ পানী নোপোৱাকৈ বাৰীৰ চুকত ডাল ভৰি ফুলি আছে মদাৰ, পলাশ । শিমলুৰ ডালত পৰি না -না ৰঙৰ চৰাইয়ে গীত জুৰি বসন্তক আমন্ত্ৰণ কৰিছে। প্ৰকৃতিক বাদ দি কোনো সুখী হব নোৱাৰে। আমাৰ ককা- আইতাই আমাক এখন সুন্দৰ পৃথিৱীক চিনাকি কৰি দি সৰাপাতৰ দৰে গ'ল গৈ, এতিয়া আমাৰ কৰ্তব্য আৰু দায়িত্ব প্ৰকৃতিৰ সৌন্দৰ্য সুন্দৰ ৰূপত নৱপ্ৰজন্মৰ হাতত গুজি দিয়া। নিজক সংৰক্ষণ কৰা যে আমাৰ জন্মস্বত অধিকাৰ। আমি সকলোৱে গাঁওৰ বোকা মাটি, ধূলিত পৰি থকা মদাৰ, পলাশৰ গৰ্ভত লুকাই ৰখা সৃষ্টিৰ সৌন্দৰ্যৰ লগত একাত্ম হ'ব পাৰিলেহে বৰ্ণময় মন, বৰ্ণময় সময়ে সুন্দৰ ফাগুণক আমন্ত্ৰণ কৰিব। ফাগুনৰ মায়বিনী ৰূপত সকলো যেন আপ্লুত হৈ পৰো। হয়, ফাগুন আহিছে, সেউজীয়া সম্ভৱনা লৈ ....।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286